চান্দমামা

নভেমবাৰ ১৯৯৪



নাৱে কৰে টুলুংভুটুং বঠাই বোলে কি ? পিকনিকৰ আচল মজা আনে যি।

পাৰ্লে-জি

সোৱাদ ভৰা, শক্তি ভৰা।

ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/171-as

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ସଚିତ୍ର
ବିଜୟା
ନଭେମ୍ବର ୧୯୯୪ ■ ଦଶଟଙ୍କା
■ ମୁଖ୍ୟଲେଖ
ଆଶା ନିରାଶାର ସୌଦାଗର
■ ମନୋଜ ଦାସଙ୍କ ବାଲ୍ୟ ସ୍ମୃତି
■ ମୟୂରଭଞ୍ଜ ମହାରାଜା ଓ
ମହାରାଣୀଙ୍କ ସହ ଆଳାପ
■ ଅଲୌକିକ ଜଗତର କାହାଣୀ

ଆପଣ ଦେଖିଲେଣିକି ?

ଅପୂର୍ବ ପରିପାଟୀରେ ଭରା

ସଚିତ୍ର

ବି ଜ ୟା

ସୃଜନଶୀଳ ସାହିତ୍ୟ, ସନ୍ଦର୍ଭର ପାରିବାରିକ ମାସିକ ପତ୍ରିକା

ଖୁବ୍ ଶୀଘ୍ର ନଭେମ୍ବର ସଂଖ୍ୟା ପହଞ୍ଚୁଛି ଆପଣଙ୍କ ହାତ ପାଆନ୍ତାରେ -

ଏ ସଂଖ୍ୟାରେ :

* ଦ୍ରୁମ ମହାଦ୍ରୁମ - ଅଁଳା ଗଛର ଚିତ୍ତାକର୍ଷକ କାହାଣୀ ଓ ଭେଷଜ ଗୁଣ
* ଏକାନ୍ତ ପଲ୍ଲୀ - ଲଳିତଲାବଣ୍ୟ ଲଳିତଗିରି
* ଅନ୍ୟ ଜଗତ :
  ଅନନ୍ୟ ଅନୁଭୂତି - ଶିଳ୍ପୀ ଓ ତାନ୍ତ୍ରିକ ପ୍ରମୋଦକୁମାରଙ୍କ ବର୍ଣ୍ଣିତ
  'ଝଡର ଅପଦେବତା'
* ସ୍ମୃତି ସଂଜୀବନୀ - **ମନୋଜ ଦାସଙ୍କ ଧାରାବାହିକ ସ୍ମୃତି କଥା**
  'ସମୁଦ୍ର କୂଳର ଏକ ଗାଁ'ର ଦ୍ୱିତୀୟ ପର୍ଯ୍ୟାୟ:'ଏକ ପ୍ରଭଞ୍ଜନର ପଦଚିହ୍ନ'
* ମୁଁ ମୋ ବାପାଙ୍କୁ
  ଯେପରି ଜାଣେ - ଡାକ୍ତର ବିକ୍ରମ ଦାସ - ପଣ୍ଡିତ ନୀଳକଣ୍ଠଙ୍କ ସଂପର୍କରେ
* ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ - **'ଆଶା ନିରାଶାର ସୌଦାଗର'**
  ଧର୍ମନାମରେ ବେପାର ଆଉ କେତେ ଦିନ ?
  ମନ୍ତ୍ରବିତ୍ ଲୋକନାଥ ମିଶ୍ର (ଆସାମ ରାଜ୍ୟପାଳ)ଙ୍କ
  ସହ ଏକ ସାକ୍ଷାତକାର ସମେତ ଅନେକ ଜଣାଶୁଣା ସାଧକଙ୍କ
  ସଂପର୍କରେ ରିପୋର୍ଟ
* ଅନ୍ତରାଗ - **ମୟୂରଭଞ୍ଜର ଶେଷ ମହାରାଜା ଓ ମହାରାଣୀଙ୍କ ସହ ଅନ୍ତରଙ୍ଗ ଆଳାପ**
* ଗଳ୍ପ - **ବୀଣାପାଣି ମହାନ୍ତି, ନୃସିଂହ ଚରଣ ପଣ୍ଡା, ସିଦ୍ଧାର୍ଥ ଦାସ**
* ରମ୍ୟରଚନା- **ଚଉଧୁରୀ ହେମକାନ୍ତ ମିଶ୍ର**
* ପରମ୍ପରା - **'ସମୁଦ୍ରର ଡାକ, ସାଧବ ବୋଇତ'** ('ବୋଇତ ବନ୍ଦାଣ'ର ରଙ୍ଗୀନ କ୍ରୋଡ଼-ପତ୍ର)
  ସତରେ ଓଡିଶାର ସାଧବ ପୁଅ ଜାଭା, ସୁମାତ୍ରା ଯାଉଥିଲା ?

ଚଳଚିତ୍ର, ମହିଳା ଜଗତ, କବିତା, ସମ୍ବାଦ ସମୀକ୍ଷା ସହ ଏକଶତ ସଚିତ୍ର, ରଙ୍ଗୀନ ପୃଷ୍ଠାର ମସୃଣ କାଗଜରେ ମୁଦ୍ରିତ, ଓଡିଆ ଭାଷାରେ ସଂପୂର୍ଣ୍ଣ ନୂତନ ପ୍ରୟୋଗ । ଦାମ୍ ମାତ୍ର ଟ.୧୦-୦୦ ।

ଚିତ୍ର ଓ ବୈଚିତ୍ର୍ୟରେ ସମୁଜ୍ଜ୍ୱଳ ଏ ସମ୍ଭାର ଅବିଳମ୍ବେ ସଂଗ୍ରହ କରନ୍ତୁ !

everest/94/PP/72-as-R

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

জাতিৰ দৰ্পণ

ইতিহাসক সাধাৰণতে দুৰ-সুদূৰ অতীতৰ পঞ্জীবদ্ধ ঘটনা বুলিয়েই ভবা হয় আৰু এই ধাৰণাক মানৱসমাজে চিৰকাল-চিৰদিন পোষণ কৰি আহিছে। কিন্তু ইতিহাস কেৱল পঞ্জীবদ্ধ ঘটনাৰ সমাহাৰেই নহয়, ইতিহাস হ'ল জাতিৰ দাপোণ।

দুৰ্ভাগ্য আমাৰ, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ইতিহাসৰ নামত যিকণ মুখস্থ কৰে, বা জানি লয়, সেইখিনিয়েই যে 'ইতিহাস' নহয়, সেই কথা সিসকলক বুজাই কোৱাৰ বন্দবস্তকণো আমাৰ নাই। কেৱল কিছুমান বীৰৰ বীৰত্ব তথা ভয়ংকৰ কিছুমান যুদ্ধৰ বিৱৰণেই কোনো জাতিৰ 'ইতিহাস' হ'ব নোৱাৰে—সেইবোৰ যুদ্ধত জয়-পৰাজয়ৰ ঘটনাও প্ৰকৃত ইতিহাসৰ নিচেই সামান্য অংশ মাথোন। দেশ এখনৰ ঐতিহ্যৰ বিষয়ে খবৰচি মাৰি নাজানিলে সেই দেশখনৰ যুদ্ধৰ বিষয়ে বা হৰা জিকাৰ বিষয়ে জানিলেও তাৰ মানৱকুলৰ কথাৰ সন্ধেদ পাব নোৱাৰি, আৰু তাৰ ফলত সেই দেশৰ 'ইতিহাস'ৰো প্ৰকৃত সম্বেদ-সন্ধান পাব নোৱাৰি।

আমাৰ স্কুলীয়া পাঠ্যক্ৰমত -অৰ্থাৎ ছিল্যাবাছত 'ইতিহাস'ৰ বিষয়ে দৃষ্টিভংগী সলোৱাৰ দিন যে আহিছে—সেই কথা আমাৰ শিক্ষাক্ৰমৰ কৰ্ণধাৰসকলে যিমান সোনকালে উপলব্ধি কৰিব—সিমানেই আমাৰ পঞ্চম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ 'ঐতিহাসিক' সিদ্ধান্তৰপৰা উপকৃত হ'ব। এই ছাত্ৰ-ছাত্ৰীসকলে ভাৰতবৰ্ষৰ বাহিৰেও পৃথিৱীৰ অন্ততপক্ষে অন্য ছটি জাতিৰ বিশদ বিৱৰণ জনা আৱশ্যক বুলি আমাৰ অভিমত।

ইতিহাসৰ সুসম পাঠ্যক্ৰম আজিৰ দিনত আৱশ্যকীয়।

বছৰ : ১৯   নভেমবাৰ ১৯৯৪   সংখ্যা : ৮

খনে ৫.০০ টকা :: বছৰেকীয়া বৰঙনি ৬০.০০ টকা

Sunday, Piano, Nursery Rhymes
It's Morton for me all the time
MORTON
SWEETS
I Love my Sundays ..... Nursery Rhymes and my Mummy close to me and Mortons all the time. It has been our Family's favourite for years and years.
Delicious and yummy in so many flavours. All with the goodness of Creamy Milk, Glucose and Sugar.
Chocolate and Coconut Cookies, Rose Eclairs, Supreme
Chocolate and Coconut Toffees, Lacto Bonbons Mango King
and so many other delicious treats.
Um m m m m Every bite a yummy delight.
A lifetime of real goodness
MORTON CONFECTIONERY &
MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418 Dist. : Saran, Bihar
CC/M-1/93
Caution Notice :
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

পৃথিৱীৰ খিৰিকীৰে

পশ্চিম এছিয়াত শান্তিলৈ আৰু এখোজ



যোৱা অগস্টৰ ৩ তাৰিখৰ দিনা, এখন জোৰ্ডানীয় উৰাজাহাজ চুবুৰীয়া দেশ ইজৰায়েললৈ বুলি উৰিল। আপোনালোকে ক'ব পাৰে : ইও কিবা এটা খবৰ হ'লনে? সেই উৰাজাহাজখন উৰাই লৈ গৈছিল স্বয়ং জোৰ্ডানৰ ৰজাই, ৰজা হুছেইন ইব্ন্ তলালে। ক'ব পাৰে : তাৰেই বা কি হ'ল? আমাৰ দেশৰ এগৰাকী প্ৰধানমন্ত্ৰীয়ে উৰাজাহাজ চালোৱা নাছিল জানো? গতিকে—ই-ও কিবা—খবৰৰ লগৰ খবৰ হ'লনে?

হ'ল। খবৰটো—হওঁতে জবৰেই। জব্বৰ খবৰ। প্ৰায় পঞ্চাছ বছৰৰ পাছত যদি দুই মহা-শত্ৰুৰ মাজত মিলন হয়, খবৰ নহয় জানো?

জোৰ্ডানৰ ৰজা হুছেইন আৰু ইজৰায়েলৰ প্ৰধানমন্ত্ৰী মি. ইজ্‌হাক ৰ্‍যাবিনৰ মাজত ওৱাশ্বিংটনত যি কৰমৰ্দন হৈছিল—এয়া আছিল তাৰেই সূচনা।

ওৱাশ্বিংটনৰ ৰ'জ গাৰ্ডেনত অনুষ্ঠিত হৈছিল—শান্তি-বিচৰা এই শীৰ্ষ-সন্মিলনৰ অন্যতম সাক্ষী—আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিনটনে এই 'শান্তি-বিচৰা শীৰ্ষ-সন্মিলন'ক 'ওৱাশ্বিংটন ডিক্লাৰেশ্যান' বুলি আখ্যা দিছে।

ওৱাশ্বিংটনৰ ৰ'জ গাৰ্ডেনত—এয়া আছিল দ্বিতীয় শীৰ্ষ-অনুষ্ঠান। দহ মাহৰ আগতে, ১৯৯৩ চনৰ ১৩ ছেপটে'মবাৰৰ দিনা ইয়াতে আন এটি ঐতিহাসিক কৰমৰ্দন অনুষ্ঠান হৈছিল মি. ইজ্‌হাক ৰ্‍যাবিন আৰু প্যালেষ্টিন লিবাৰেশ্যান অ'ৰ্গানি-জেশ্যানৰ নেতা জনাব আৰাফাতৰ মাজত (১৯৯৩, অকট'বাৰ চান্দামামা দ্ৰষ্টব্য), আৰু সেই বাৰো শান্তি-সাক্ষী আছিল মি. বিল ক্লিনটন। আৰু সেই 'শান্তিৰ কৰমৰ্দন' আছিল পশ্চিম এছিয়াত চাৰি দশকৰ ৰক্তক্ষয়ী ৰণৰ অন্তত দখিণা-বৰীৰ বা।

ওৱাশ্বিংটন ডিক্লাৰেশ্যানত স্বাক্ষৰ কৰাৰ অন্তত ৰজা হুছেইন আৰু মি. ৰ্‍যাবিনেও শান্তিৰ কৰমৰ্দন কৰিছিল আৰু ১৯৪৮ চনৰপৰা চলি থকা সংঘৰ্ষৰ যৱনিকা পেলাইছিল।

ৰজা হুছেইন যেতিয়া শান্তি চুক্তিৰ অন্তত উভতি গৈছিল, তেতিয়া ইজৰায়েলৰ যুঁজাৰু বিমানবোৰে টেল-অবীব আৰু পৱিত্ৰ নগৰী যিৰুজালেমৰ ওপৰেদি (যিবোৰ ঠাই একালত জোৰ্ডানৰ অধিকাত আছিল) ৰাজকীয় বিমানখন সুৰক্ষিত কৰি লৈ গৈছিল আৰু জোৰ্ডান-ৰাজ হুছেইনলৈ বিদায়-অভিনন্দন জ্ঞাপন কৰিছিল।

একালত—কমেও ৪০০০ খৃষ্ট-পূৰ্বাব্দত জোৰ্ডান নামৰ বিশাল নৈখনে এক উৰ্বৰ উপত্যকাৰ জন্ম দিছিল। এই উপত্যকাখনেই আগলৈ 'জোৰ্ডান' নামেৰে জনাজাত হৈছিল আৰু কাল-ক্ৰমে ৰোম-সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ পৰিছিল। এয়া ৬৪ খৃষ্ট-পূৰ্বাব্দৰ কথা।

ৰোম্যান সাম্ৰাজ্যৰ পতনৰ অন্তত এই জোৰ্ডান উপত্যকা—৭ম খৃষ্টাব্দত আৰবসকলৰ অধীনস্থ হ'ল। পৃথিৱীৰ প্ৰথম ক্ৰুছেডৰ (ধৰ্মযুদ্ধ—১০৯৬-৯৯) অন্তত এই উপত্যকা ইউৰোপৰ খৃষ্টান-সকলে অধিকাৰ কৰা হ'ল। ১৬ শতিকাত জোৰ্ডান তুৰ্কি শাসকসকলৰ অধীনত হ'ল আৰু প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৮) আগলৈকে অ'টোমান সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ আছিল।



প্ৰথম বিশ্বযুদ্ধৰ অন্তৰ লগে লগে জোৰ্ডানস্থ আৰবসকলে তুৰ্কিৰ কবলৰ-পৰা মুক্তি তথা স্বাধীনতা বিচৰাত বৃটেইনে হস্তক্ষেপ কৰিলে। তেতিয়াৰ-পৰা প্ৰায় ৩০ বছৰলৈ শাসনচলোৱাৰ অন্তত বৃটেইনে 'ট্ৰ্যান্‌জ-জোৰ্ডান'ক পূৰ্ণ স্বাধীনতা প্ৰদান কৰিলে। জনাব হাছমৎ অবহুল্লাক ৰজা পতা হল ১৯৪৯ খৃষ্টাব্দত। বৰ্তমান ৰজা হুছেইন যেতিয়া জোৰ্ডানৰ সিংহাসনত অধিষ্ঠিত হ'ল, তেতিয়া তেওঁ আছিল মুঠেই ১৭ বছৰীয়া। তেৱেঁই হ'ল আৰৱভূমীয়াৰ দীৰ্ঘকালীন শাসক।

'ইজৰায়েল' নামৰ ৰাষ্ট্ৰ এখনে মূৰ দঙাৰ লগে লগেই আৰবসকলৰ লগত ইজৰায়েলৰ সংঘৰ্ষয়ো মূৰ দাঙি উঠিল। ওৱেস্ট বাংক জোৰ্ডানে অধিকাৰ কৰিলে। প্ৰায় ২০ বছৰৰ অন্তত ইজৰায়েলে ওৱেস্ট বাংক পুনৰাধিকাৰ কৰিলে। ১৯৬৭ চনৰ এই যুদ্ধ 'ছদিনীয়া' যুদ্ধ বুলি খ্যাত। ১৯৮৮ চনত ৰজা হুছেইনে ওৱেস্ট বাংকক জোৰ্ডানৰ বুলি ঘোষণা কৰি শাসনভাৰ ৰাজকীয় ঘোষণাৰ দ্বাৰা প্যালেস্তিনৰ হাতত দিলে।

জোৰ্ডান আৰু ইজৰায়েলে ৪৬ বছৰীয়া শত্ৰুতা ত্যাগ কৰি শান্তিৰ খোজ বঢ়ালে।

বেমাৰী

ভূষণ শাস্ত্ৰী আছিল অতি নামজলা পণ্ডিত। ভূষণৰ যহ-খিয়াতি ভুৱন নহ'লেও ভাৰতবিদিত। ইঠাই সিঠাই ভ্ৰমি ভ্ৰমি গৈ গৈ এদিন তেওঁ ৰাজস্থান পালেগৈ। তাতো পণ্ডিতমণ্ডলীক তৰ্কবিতৰ্কত পৰাস্ত কৰিলে তেওঁ। তেতিয়াৰ কালত ৰাজস্থানত মহাৰজাৰ আমোল। মহাৰাজে ভূষণশাস্ত্ৰীক আমন্ত্ৰণ কৰি ৰাজসভালৈ অনালে আৰু ক'লে, "পণ্ডিতোত্তম! অনুগ্ৰহ কৰি আমাৰ এটা মহৎ উপকাৰ কৰি দিয়ে যদি—আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।" মহাৰাজ মুহূৰ্তমানৰ বাবে ৰ'ল আৰু তাৰ পাছত পুনৰ ক'লে, "আমাৰ ৰাজ্যত চন্দ্ৰপুৰী নামৰ এখন নগৰ আছে। সেই নগৰৰ অধিবাসীহঁত যদিও যথেষ্ট উন্নত, তথাপি, তাৰপৰা কদাপি কোনো কথাত কোনো এজনো দেশৰ ৰজাৰ কাষ চপা নাই, অৰ্থাৎ—দেশৰ ৰজাক তেওঁলোকে এক প্ৰকাৰে উপেক্ষাহে কৰা হৈছে. আৰু লগতে--চন্দ্ৰপুৰীত আনকি কোনো দেৱ-মন্দিৰও নাই, দেৱভকতিয়েই তাত নাই যেন লাগিছে। আপুনি চন্দ্ৰপুৰীয়াক চেতনা প্ৰদান কৰি কিঞ্চিত পোনাব পাৰে যদি—বৰ তুষ্টি লভিম। দেশৰ এখন নগৰৰ নগৰীয়াক বিচ্ছিন্ন হৈ থাকিব দিব নোৱাৰি।"

মহাৰাজৰ কথাত ভূষণপণ্ডিত চন্দ্ৰপুৰীলৈ গ'ল। চন্দ্ৰপুৰীয়াই ৰজাই পঠোৱা আলহীক সমাদৰেই কৰিলে আৰু ভূষণপণ্ডিতৰ ভাষণো মনযোগেৰেই শুনিলে।

তাৰ পাছত চন্দ্ৰপুৰী নগৰৰ নগৰপিতাই ভূষণপণ্ডিতক সুধিলে, "এতিয়া

তুলসী তালুকদাৰ

কওক, পণ্ডিতপ্ৰবৰ, আপুনি আমাৰ ইয়ালৈ অহাৰ উদ্দেশ্য কি।"

"মই আপোনালোকক দেৱভক্তিৰ জ্ঞান প্ৰদান কৰিম বুলি আহিলোঁ। অনুগ্ৰহ কৰি সন্মিলনৰ আয়োজন কৰিলে ভাল পাম।" ভূষণপণ্ডিতে নগৰ-পিতাক ক'লে।

প্ৰথম দিনা যেতিয়া ভূষণৰ ভাষণ অন্ত পৰিল, তেতিয়া এজন বুঢ়া মানুহে ভূষণ-পণ্ডিতক ক'লে, "পুত্ৰ, তুমি যেতিয়া এই দীঘলীয়া বক্তৃতা দি আছিলা, তেতিয়া মই এটা কথালৈ লক্ষ্য কৰিছিলোঁ যে, তুমি বাৰে বাৰে কপালৰ দুই কাষ—আঙুলিৰে মোহাৰিছা — টিপি ধৰিছা। নিশ্চয় তোমাৰ কফজনিত ব্যাধি আছে।"

বুঢ়াই এটা সৰু টেমা ভূষণপণ্ডিতক দিলে আৰু পুনৰ ক'লে, "ৰাতিৰ পৰতে—খোৱা-বোৱাৰ অন্তত পাঁচ টোপকৈ দৰব খাবা, ভাল হৈ যাব।"

"ককা, আপোনাৰ কাৰণে যদি কিবা কৰি দিব লাগে অনুগ্ৰহ কৰি কওক, মহাৰাজক কৈ-মেলি মই আপোনাৰ ইচ্ছা পূৰণ কৰিম।" ভূষণে বুঢ়াক ক'লে।

বুঢ়া মানুহজনে ভূষণপণ্ডিতৰ ভৱিৰপৰা মূৰলৈকে চালে আৰু তাৰ পাছত মুচুককৈ হাঁহি এটি মাৰি তাৰপৰা খোজ ল'লে।

কেইদিনমানৰ পাছত ভূষণপণ্ডিত যেতিয়া ৰাজধানীৰ ৰাজআলিয়েদি বাগীত উঠি ক'ৰবালৈ কিবা কামত গৈ আছিল,



তেতিয়া সেই বৃদ্ধয়েই ভূষণপণ্ডিক লগ পাই ক'লে, "পুত্র, ইমান থিয় ৰ'দত ছাতি নোলোৱাকৈ কিয় ওলাইছা? তোমাৰ কফজনিত বেমাৰ বাঢ়িব।" এই বুলি কৈ বুঢ়াই তেওঁৰ নিজৰ ছাতিটো ভূষণপণ্ডিতক দিলে আৰু বৃদ্ধৰ এই অস্বাভাৱিক আচৰণত অবাক হৈ পৰা ভূষণেও 'নলওঁ' বুলি ক'ব নোৱাৰিলে।

ভূষণপণ্ডিতে চন্দ্ৰপুৰীৰ নাগৰিকসকলৰ আগত এটি প্ৰস্তাৱ দাঙি ধৰিছিল— তেওঁলোকৰ নগৰত এটি মন্দিৰ নিৰ্মাণৰ বাবে। নাগৰিকসকলে তেতিয়া হয় বা নহয় একোৱেই কোৱা নাছিল। কিন্তু সাতদিনৰ অন্তত নগৰপিতা নাগেশৰ যোগেদি ভূষণপণ্ডিতলৈ খবৰ পঠালে যে চন্দ্ৰপুৰীত মন্দিৰ নিৰ্মাণ কৰা হ'ব।

নগৰপিতা নাগেশৰপৰা এই খবৰটি পাই ভূষণপণ্ডিতৰ মনত আনন্দৰ জোৱাৰ উঠিল। আচল কথা মন্দিৰ নহয়—মন্দিৰ য'তে ত'তে থাকে, আছে, থাকিব, হ'ব; আচল কথা হ'ল—মহাৰাজে কিমান যে ভাল পাব চন্দ্ৰপুৰীয়াক ইমান সহজতে পোনাব পৰাত! কথাত বোলে—ভকতক কৰিবা দান, তেৱেঁসে পাবা বৈকুণ্ঠত থান। মহাৰাজক নিদিলে মহাৰাজেইবা ভূষণক শলাগৰ শৰাইখন কিয় দিব? বৰঞ্চ দিব—শলালৰ শিলহে!

ইকথা-সিকথাৰ অন্তত ভূষণপণ্ডিতে



চন্দ্ৰপুৰীৰ নগৰপিতা নাগেশক সুধিলে সেই বুঢ়া মানুহজনৰ বিষয়ে।

নাগেশে মিচিকীয়াই হাঁহি মাৰি ক'লে, "পণ্ডিতপ্ৰবৰ! সেই বুঢ়া মানুহজনৰ কথাত ইমান চিন্তা-চৰ্চা নকৰাই আপোনাৰ পক্ষে ভাল হ'ব কিজানি। —আপোনাৰ মূৰ-কামোৰণি—কফৰ বেমাৰ—বুঢ়া মানুহজনৰ দৰবেৰে ভাল হ'লনে? বেজালিত বৃদ্ধৰ সমান বৈদ্য বিচাৰি পোৱা টান।"

"হ'ল। মূৰ-কামোৰণি আৰু নাই। কিন্তু তেওঁ মোক যেনেকৈ সহায়-তহায় কৰা হৈছে, তাৰ প্ৰতিদান দিব নোৱাৰিয়েই নই অস্বস্তি বোধ কৰিছোঁ।"

ভূষণপণ্ডিতৰ এই মন্তব্যৰ উত্তৰত চন্দ্ৰপুৰীয়া নগৰ-পিতা নাগেশে ক'লে, "এই কথাত আপুনি অস্বস্তি বোধ কৰিব নালাগে, তেওঁ — সেই বুঢ়া মানুহজনে কদাপি আপোনাৰপৰা কোনো অন্যায় সুবিধা বা অনুগ্ৰহ নিবিচাৰিব।"

শুনি ভূষণ ভাপলগা যেন হৈ কৈ উঠিল, "আপুনি কেনেকৈ জানিলে?"

"জানিলোঁ মানে, আমি সকলোটিয়েই জানো কথাটো। সেই বুঢ়া মানুহজনেই হ'ল আমাৰ চন্দ্ৰপুৰীৰ মহাজ্ঞানী পিতৃ। কোনো শাস্ত্ৰতে কোনেও তেওঁক পৰাজিত কৰা অসম্ভৱ। তেওঁৰ প্ৰতিটি কথা, প্ৰতিটি আদেশ আমাৰ চন্দ্ৰপুৰীয়াৰ শিৰোধাৰ্য্য। তেওঁৰ কাৰণেই আমি সমস্যাৰোপৰা মুক্ত হৈ আছোঁ, আৰু তেওঁৰ পৰামৰ্শমতেই আমি আমাৰ চন্দ্ৰপুৰী নগৰত কোনো দেৱ-মন্দিৰ নবনোৱাকৈ আছোঁ।"

শুনি ভূষণপণ্ডিতৰ চকু কপালত উঠিল। কয় কি! এই—সামান্যৰো সামান্য বুঢ়া এটা—ইমানেইনে গিয়ানী!

ভূষণপণ্ডিতে উষ্ণ কণ্ঠেৰে ক'লে, "আপোনালোকে — আপোনালোকৰ নগৰত মোৰপৰা দীঘলীয়া ভাষণ শুনিছিল আৰু—মনযোগেৰেই শুনিছিল বুলি মই ভাবোঁ। মোৰ ভাষণ শুনিয়েই নিশ্চয় বৃদ্ধৰ

অসাৰুৱা কথাৰ অবাস্তৱতাক উপলব্ধি কৰি, আনকি মন্দিৰ নিৰ্মাণৰ প্ৰস্তাৱতো আপোনালোকে সম্মতি দিছিল ?”

নাগেশে মূৰ জোকাৰি ক'লে, “চন্দ্ৰপুৰীলৈ আপোনাৰ আগমনৰ কথা আমি আমাৰ মহাজ্ঞানী বৃদ্ধক কৈছিলোঁগৈ, কিয়নো আমাৰ নগৰজীৱনৰ প্ৰধান ৰূপকাৰ তেৱেঁই। তেওঁক নজনোৱাকৈ আমি কোনো নতুন সিদ্ধান্তও নলওঁ। আপোনাৰ ভাষণ মনপুতি শুনিবলৈ সেই মহাজ্ঞানী বৃদ্ধয়েই আমাক পৰামৰ্শ দিছিল।”

“বুজিলোঁ—।” ভূষণপণ্ডিতে ভৰক মাৰিলে, “মোৰ লগত তৰ্কযুদ্ধত যাতে বুঢ়াই লিপ্ত হ'ব নালাগে—তাৰ কাৰণেই আপোনালোকক বুঢ়াই এই নিৰ্দেশ দিছিল। অৱশ্যে—এইটো কোনো ডাঙৰ কথা নহয়, কিয়নো—যিজন মহাপণ্ডিতে সমগ্ৰ ৰাজস্থানৰ বছা বছা পণ্ডিতকো হেলাৰঙে হৰুৱালে, সেই পৰ্বতহেন উচ্চ পণ্ডিতৰ সৈতে তৰ্কযুদ্ধ—ধেমালিৰ কথা নহয়।” সেই কাৰণেই মোৰ প্ৰশ্নৰ উত্তৰতো একো নকয় সেই বুঢ়াই।—কিবা সুধিলেও হাঁহে আৰু মনে মনে থাকে।”

তেতিয়া নাগেশে কৈ উঠিল, “তেনেহ'লে— আপোনাক আচল কথা ক'বই লাগিব। আচল কথা হ'ল যে—



আমাৰ জ্ঞানীবৃদ্ধ হ'ল এগৰাকী অতি উচ্চশ্ৰেণীৰ বৈদ্য। তেওঁ বেমাৰীহঁতৰ লগত মাত-বোল প্ৰায় নকৰেই। কিয়নো— বেমাৰীলৈ চায়েই তেওঁ বেমাৰৰ উমান পোৱা হয়।”

“মই কিবা—বেমাৰীনে— ?”

ভূষণপণ্ডিতে গৰম হৈ গেলিলে।

ক্ষন্তেকলৈ নগৰ-পিতা নাগেশ মৌন হৈ থাকিল আৰু তাৰ পাছত ক'লে, “মহাৰাজে এইবাৰ কথা বুজি পাব লাগে যে—চন্দ্ৰপুৰী এখন সুখে-শান্তিৰে ভৰপূৰ নগৰ। তেওঁ যে কিয় চন্দ্ৰপুৰীৰ বিষয়ে ইমান চিন্তিত—তেওঁহে জানিব। তাৰ

মানে—এই ‘চিন্তা’ হ’ল দৰাচলতে—মহাৰাজৰ বেমাৰ। মহাৰাজে কোৱামাত্ৰেই আপুনি যে চন্দ্ৰপুৰীলৈ ঢপলিয়াই গৈছিল— তাকো—বেমাৰেইবুলিব পাৰি।”

এইবাৰ ভুষণপণ্ডিতৰ চকু ষড়া পৰিল আৰু খেচখেচাই কৈ উঠিল, “তেনেহ’লে—মোৰ কথাখিনি তোমালোকে কিয় শুনিছিলা? কিয় ইটো-সিটো সুবিধা—মহাৰাজক কৈ-মেলি দিবলৈ কৈছিলাহে?”

“মহাশয়, বেয়া নাপাওক। আমাৰ সেই মহাজ্ঞানী বৃদ্ধই এই উপায়েৰে আপোনাৰ বেমাৰৰ চিকিৎসা কৰিছিল। আপোনাৰ বিৰক্তিকৰ ভাষণ শ্ৰৱণ, সুবিধা সুযোগৰ বাবে আপোনাক অনুৰোধ-কৰণ—সকলো কথা-কাণ্ডয়েই আছিল আপোনাৰ চিকিৎসাৰ অংগ। আমাক সুবিধা-টুবিধা — আচলতে একোৱেই নালাগিছিল। “নাগেশে ক’লে।

“আৰু মন্দিৰ? মন্দিৰ কথাত মাস্তি হৈছিলা যে—তাৰনো কি?

খঙাল পণ্ডিত ভূষণৰ খোলা-তৰা খোৰ-ওলোৱাহেন কথাৰ উত্তৰত নগৰপিতা নাগেশে হো হো কৰে হাঁহি হাঁহি ক’লে, “হেৰি পৰ্বত-পণ্ডিত সেই কথাটো এতিয়ালৈকো বুজা নাইনে আপুনি?—আমাৰ জ্ঞানবৃদ্ধই আমাক দেৱভক্তি নিশিকাই মানৱ-ভক্তি শিকালে আৰু ক’লে যে—মানৱক পূজিবলৈ মন্দিৰৰ আৱশ্যকতা নাই, আৱশ্যকতা আছে মাথোন মানৱ-সেৱাৰ। সেই হে আমি মন্দিৰ-টন্দিৰ একো বনোৱা নাছিলো।”

“এতিয়া যে মন্দিৰ বনাইছা—?”

খঙতে একোনাই হোৱা ভুষণপণ্ডিতৰ চকুযুৰিলৈ টঁ টঁ কৈ চাই থাকি নগৰ-পিতা নাগেশে লাহেকৈ ক’লে. “সেই জ্ঞানীবৃদ্ধক পূজিবলৈ।”

শুনি পাণ্ডিত্য-বেমাৰী ভুষণ পণ্ডিত মুখত কোবোৱা দমৰাহেন হৈ পৰিল।

বিচিত্ৰ কণ্ঠহাৰ

৫

[আগৰ কথা : গুৰুৰ ওচৰত থাকি বিদ্যাশিক্ষা সমাপ্ত কৰাৰ অন্তত বৃষ্ণাষ্টমীৰ পূৰ্ণিমাৰ দিনা ৰাজকোঁৱৰ কীৰ্তিবৰ্মা গুৰুৰ আশ্ৰম পৰিত্যাগ কৰি ৰাজপ্ৰাসাদলৈ বুলি অশ্বাৰূঢ় হৈ ৰাওনা হ'ল। ইপিনে মহাৰাজ সুষেনক কথা দিয়া মতে জয়সেন-কন্যা কীৰ্তিসেনাই যুৱৰাজ কীৰ্তিবৰ্ম লৈ বাট চাই অৰণ্যৰ একাষত ৰৈ আছিল। ৰাজকোঁৱাৰ কীৰ্তিবৰ্মা যেতিয়া কীৰ্তিসেনা ৰৈ থকা ঠাইৰ ওচৰ চাপিল, ঠিক তেতিয়াই যুৱৰাজ কীৰ্তিবৰ্মা তাত আচম্বিতে আক্ৰান্ত হৈছিল, কিন্তু দুঃসাহসী কীৰ্তিসেনাই যুৱৰাজক কথমপি ৰক্ষা কৰিছিল। আৰু তাৰ পাছত.........]

কীৰ্তিবৰ্মা আৰু কীৰ্তিসেনাই সেই ৰহস্যময় বিচিত্ৰবৰ্মা লিখিত বিচিত্ৰ পত্ৰত উল্লেখ থকা মতে মন্দিৰৰ ওচৰে-পাজৰে ক'ৰবাত কিবা সা-সন্ধান পায়নে কি—তাৰ বাবে গভীৰ মনযোগেৰে ঠাইডোখৰ তন্ন তন্নকৈ চলথ কৰি থাকিল। কিন্তু ক'তনো থান্দি চাব ? মন্দিৰৰ চাৰিওফালে কাঁইটীয়া বেলগছৰ সমদল। য'তেই নাখান্দক, বেলৰ শিপাবোৰেই দিগ দিব।

কীৰ্তিবৰ্মাই মন্দিৰৰ উত্তৰ দিশত তিনি খোজ আগুৰাই গ'ল। চতুৰ্থ খোজ দিওঁতেই তেওঁৰ ভৰিৰ তলুৱাৰ তলত এচটা শিল থকা যেন লাগিল। শিলচটা চাৰিচুকীয়া। সেই শিলচটাৰ ওচৰত আৰু

'সৃষ্টি স্ৰষ্টাৰ—ঘৰতে ঘৰিণীত'

চটাচটে শিল আছে, কিন্তু আয়তাকাৰ। মাত্র এই শিলচটাহে চাৰিচুকীয়া।

"কীৰ্তিসেনা!" কীৰ্তিবৰ্মাৰ মাতত কীৰ্তিসেনাই ঘূৰি চালে।

কীৰ্তিবৰ্মাই ক'লে, "মই—মই সঠিক ঠাইডোখৰ বিচাৰি পোৱা যেন পাইছোঁ!"

দুয়ো মিলি বহু সময় ধৰি চেষ্টা কৰাৰ অন্তত সেই চাৰিচুকীয়া শিলচটা দুয়োৰো হাতত থকা যাঠিৰ সহায়ত দাঙিলে।

তাৰ পাছত সেই যাঠিৰেই সেই ঠাইডোখৰ সিহঁতে খান্দি থাকিল। বহুতোপৰলৈকে খান্দি থকাৰ অন্তত এটা মজলীয়া আকাৰৰ লো-ৰ বাকচ পোৱা হ'ল। বাকচটো মামৰে ধৰা। বাকচটোৰ গাৰপৰা মাটি আৰু মামৰ গুচাই কীৰ্তিবৰ্মাই হেঁচা মাৰি বাকচটো অতি সাৱধানতাৰে খুলি পেলালে বাকচটোৰ ভিতৰত অন্য এটি সৰু আকাৰৰ বাকচ আছিল। এই বাকচটো আছিল তামৰ বাকচ। ডাঙৰ বাকচটোটোতো কোনো তলা নাছিল, এই সৰুটোতো নাছিল। কিন্তু সৰু বাকচটো খুলিবলৈ সিহঁতৰ ঘাম ওলাল। বহু কষ্টেৰে বহু চেষ্টাৰেও যেতিয়া সৰু বাকচটো খুলিব নোৱাৰিলে, তেতিয়া সেইটো ৰাজধানীলৈ লৈ যাবলৈ সাব্যস্ত কৰিলে কীৰ্তিবৰ্মাই।

কিন্তু হঠাৎ কীৰ্তিবৰ্মাই দেখা পালে —বাকচটোৰ তলৰ ফালে এচুকত এটা সৰুতকৈও সৰু বিন্ধাৰদৰে কিবা এটা আৰু সেই বিন্ধা-থকা ঠাইডোখৰত হাতত বুঢ়া আঙুলিৰে জোৰেৰে হেঁচি দিয়াৰ লগে লগেই বাকচটোৰ গধুৰ সাঁফৰখন নিজে নিজেই খোল খাই পৰিল।

কিন্তু কীৰ্তিবৰ্মা-কীৰ্তিসেনাই আশা কৰা মতে—সেই বাকচটোত কোনো হীৰাৰ হাৰ বা কোনো অলংকাৰ জাতীয় একোৱেই পোৱা নগ'ল, পোৱা গ'ল এচটা তামৰ ফলি। সেই সৰু তামৰ ফলিত এই কথাখিনি লিখা আছিল:



শিলচটাৰে গাঁতৰ মুখ বন্ধ কৰি হুবহু আগৰ দৰে কৰি থ'লে। আনকি আগতে শিলচটাৰ ওপৰত পৰি থকা গছৰ শুকান পাতবোৰো তেনেকৈ থৈ দিলে—আন কোনেও শিলচটা দেখা নোপোৱাকৈ।

তিমানতে পূর্ণিমাৰ জোন ওলাইছিল পূর্ণ পয়োভৰেৰে। কীৰ্তিবর্মা আৰু কীৰ্তিসেনাই সেই জোনৰ স্নিগ্ধ পহৰত থিয় হৈ হাত যোৰ কৰি দেৱী গোসাঁনীলৈ অপলক দৃষ্টি মেলি কৈ থাকিল:

'মা! আমাক জ্ঞান দিয়া, বিচিত্ৰ কণ্ঠহাৰ-ৰহস্য উদ্ধাৰ কৰাত আমাৰ অলোক প্ৰদান কৰাঁ, মা আমাৰ!"

আৰু লগে লগে দেৱীমূৰ্তি লাহে লাহে পোহৰ হৈ উঠিল, দেৱীমূৰ্তিৰপৰা জ্যোতি ওলাই থাকিল আৰু দেৱীমূৰ্তিৰ-পৰা এক অভাৱিত মাধুৰ্য্যমণ্ডিত কণ্ঠস্বৰ ভৌৱাই আহিল:

'ৰাজধানীলৈ এতিয়াই উভতি যোৱা, আৰু ৰাজপ্ৰাসাদৰ বিপৰীতে থকা পদ্মসৰোবৰৰ পাৰত মন্দিৰ সাজি মোৰ 'জ্বালামুখী' নামেৰে প্ৰতিষ্ঠিত কৰাঁ। সেই জ্বালামুখীয়েই সকলো সা-সন্ধান দিব।'

এই কথাখিনি সমাপ্ত হোৱাৰ লগে লগেই দেৱীমূৰ্তিৰ জ্যোতি পুনৰ ধীৰে-মন্থৰে নোহোৱা হ'ল আৰু তেতিয়া

'সৃষ্টি স্ৰষ্টাৰ—ঘৰতে ঘৰিণীত'

কীৰ্তিবর্মা আৰু কীৰ্তিসেনাই পৰস্পৰলৈ বিস্মিতদৃষ্টিৰে চালে; কিন্তু এই সাংকেতিক কথাষাৰৰ অৰ্থ উদ্ধাৰ কৰিব নোৱাৰিলে।

"তেনেহ'লে—এই তামৰ ফলিখন—কি কৰা হ'ব? সুধিলে কীৰ্তিসেনাই, "আকৌ ইয়াতে পুতি থৈ যামনে আমি?"

"ঠিকেই কৈছা। আৰুনো কি কৰিম?"

আৰু ঠিক আগৰ দৰেই বাকচত তামৰ ফলিখন, সৰু বাকচটোত ভৰাই, গাঁতৰ ভিতৰত আগৰ দৰে থৈ, মাটিখিনি ভালকৈ সমান কৰি সেই চাৰিচুকীয়া

কীৰ্তিৰ সৈতে কীৰ্তিসেনা অশ্বাৰূঢ় হৈ ৰাজধানীলৈ বুলি পুনৰ ৰাওনা হ'ল।

গৈ গৈ যেতিয়া দুয়ো ৰাজধানী তথা ৰাজপ্ৰাসাদৰ ওচৰ পালেগৈ, তেতিয়া কীৰ্তিসেনাই কীৰ্তিবৰ্মাক ক'লে, "কীৰ্তিবৰ্মা মই এতিয়াই প্ৰসাদলৈ নাযাওঁ —আমাৰ ঘৰলৈকে যাওঁ — কিয়নো দেউতাই নিশ্চয় মোৰ কাৰণে চিন্তিত হৈ আছে।"

কীৰ্তিবৰ্মাই ক'লে নিশ্চয় যাবা; কিন্তু যিমান সোনকালে সম্ভৱ—প্ৰাসাদলৈ উভতি আহিবা, কিয়নো—মহাৰাজেও নিশ্চয় তোমাৰপৰা ঘটনাৰ বিবৰণ শুনিবলৈ অতি আগ্ৰহী হৈ আছে।"

কীৰ্তিসেনাই দ্ৰুত গতিৰে ঘোঁৰা চলাই গুচি গ'ল; কিন্তু কীৰ্তিবৰ্মাই ৰাজপ্ৰাসাদ পোৱাৰ প্ৰায় লগে লগেই তাইৰ দেউতাক জয়সেনৰ সৈতে তায়ো প্ৰাসাদলৈ উভতি আহিল।

তাৰ পাছত—বন্ধুবৰ জয়সেন, কন্যা কীৰ্তিসেনা, আৰু ৰাজপুত্ৰ কীৰ্তিবৰ্মা যেতিয়া নিজৰ নিজৰ আসনত বহিল, তেতিয়া মহাৰাজ সুষেনে জিজ্ঞাসু দৃষ্টিৰে তেওঁৰ পুত্ৰ কীৰ্তিবৰ্মালৈ আৰু বন্ধুকন্যা কীৰ্তিসেনালৈকো চালে।

কীৰ্তিসেনাই কীৰ্তিবৰ্মালৈ চাই



মহাৰাজক ঘটনা বিবৰি ক'বলৈ নিৰ্বাক ভাবে ইংগিত কৰাত কীৰ্তিবৰ্মাই ক'লে, "দেউতা, আমাৰ গোসাঁনীয়ে আমাক সেই বিচিত্ৰ কণ্ঠহাৰ বিচাৰি উলিউৱাত আমাক ভালেখিনিলৈকে সহায় কৰিলে।"

"কেনেকুৱা সহায়—?" মহাৰাজ সুষেনে সুধিলে।

এইবাৰ কীৰ্তিবৰ্মাই কীৰ্তিসেনাক নিৰৱে ইংগিত কৰিলে ক'বলৈ. কীৰ্তিসেনাই ভোজ, নগ, চক্ৰৰাজ্যৰ ষড়যন্ত্ৰৰপৰা আৰম্ভ কৰি মন্দিৰৰ উত্তৰ দিশৰ মাটি খান্দি উলিউৱা বাকচ আৰু তামৰ ফলিত থকা ৰাক্যাৱৰ কথাও

মহাৰাজ সুযেনক বিবৰি ক'লে।

"সৃষ্টি স্রষ্টাৰ—ঘৰতে--ঘৰিণী ! অৰ্থ ?"

মহাৰাজ সুযেনৰ দ্বিধাগ্ৰস্ত ধীৰ-মন্থৰ উচ্চাৰণত উত্তৰত কীৰ্তিবৰ্মা—কীৰ্তিসেনা দুয়ো নিৰুত্তৰ হৈ থকাত কীৰ্তিসেনাৰ দেউতাকে কৈ উঠিল, "এইবাৰ বাক্যৰ ব্যাখ্যা এটা মোৰ দিবৰ মন গৈছে—।" জয়সেনে মহাৰাজক ক'লে আৰু জীয়েকলৈ চালে, তাৰ পাছত ক'বলৈ ধৰিলে, "কথাটো অৰণ্যে — পোনতে মোক কীৰ্তিসেনায়েই সুধিছিল। তাই অভিমানৰ অন্তত ঘৰ পায়েই আমাৰ ঘৰত থকা প্ৰাচীন সৰস্বতী দেৱীৰ মূৰ্তিৰ বিষয়ে মোক সোধ-পোছ কৰিছিল।— সৰস্বতী কোন ? সৃষ্টিকৰ্তা ব্ৰহ্মাৰ ঘৰিণীয়েই নহয়নে ?" এই বুলি কৈয়েই জয়সেনে জোলোঙা এটাৰপৰা সেই অপূৰ্ব সৰস্বতী-দেৱীমূৰ্তি উলিয়ালে আৰু পুনৰ ক'লে, "এই মূৰ্তি আমাৰ ককাৰ আমোলৰেপৰাই আমাৰ ঘৰত আছে, আৰু এই সৰস্বতীমূৰ্তি আমাৰ ককা বিজয়সেনক দিছিল—হয়তো বিচিত্ৰবৰ্মাদেউয়েই।"

ইতিমধ্যে কীৰ্তিবৰ্মাই সৰস্বতীমূৰ্তিটি হাতত লৈ ঘূৰাই-ফিৰাই চাইছিল আৰু কৈছিল, "মূৰ্তিৰ ভিতৰত কিবা থকা বুলি ভাবিছিলোঁ, কিন্তু — একোৱেই নাই দেখিছোঁ।"

"আছে !"

যেনিবা তাতে বজ্ৰপাতহে হ'ল কৰ্তিসেনাৰ সামান্য উক্তিৰে, "মোৰ ওচৰত আছে।"

এই বুলি কৈ, বিস্ময়ত হতবাক হৈ পৰা মহাৰাজ-মহাৰাণী কীৰ্তিবৰ্মা আৰু পিতৃ জয়সেনক স্তম্ভিত কৰি কীৰ্তিসেনাই এটি অতি সুদৃশ্য সৰু অলংকাৰৰ টেমা এটা সৰ্বসমক্ষে খুলি এধাৰ অতি উজ্জ্বল হীৰাৰ হাৰ সেই সুদৃশ্য টেমাটোৰপৰা উলিয়াই আনিলে। সেই অপূৰ্ব দ্যুতিময় হাৰ ধাৰত ওলামি আছিল ৰঙচুৰা বৰণৰ

এটা প্ৰকাণ্ড মণি ।

এনে অভাৱিত ঘটনাৰ বাবে কোনো প্ৰস্তুত নাছিল। তাত তেতিয়া যেনিবা— কাঁহ পৰি জিন যোৱা অৱস্থা !

জয়সেনে তেওঁৰ আসন এৰি থিয় হ'ল আৰু মহাৰাজ সুষেনৰ ডিঙিত সেই বিচিত্ৰ কণ্ঠহাৰ পিন্ধাই দিলে আৰু ক'লে, "মহাৰাজ ! সেই সুদূৰ অতীতত শত্ৰুৰ শেনচকুৰপৰা আঁৰ কৰিবলৈ যি মন্ত্ৰশক্তি-সম্পন্ন কণ্ঠহাৰ আমাৰ ঘৰতে আছিল, সেই বিচিত্ৰ কণ্ঠহাৰ যোগ্য কণ্ঠত পিন্ধাই দিব পৰাৰ বাবে মই গৰ্বিত—সন্মানিত বোধ কৰিছোঁ। আৰু—দুই পুৰুষৰ পাছত হ'লেও—সেই বিচিত্ৰ কণ্ঠহাৰ যেনেকৈয়েই নহওক ফিৰাই পোৱাত—স্বস্তি লভিছোঁ।"

অভিভূত মহাৰাজে ক'লে, "বন্ধু জয়সেন ! তোমাৰ, আৰু তোমাৰ সুন্দৰী কন্যা কীৰ্তিসেনাৰ বুদ্ধিমত্তাক শলাগিবলগীয়া ভাষা মোৰ মুখত নাই—মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম ! —যি কি নহওক, এই ঘটনাৰ পৰিসমাপ্তি হ'লে যি কৰিম বুলি কথা দিছিলোঁ—মোক সেই কথাত ৰ'বলৈ সহায় কৰিবা বুলি আশা কৰিব পাৰোঁনে ?"

ক্ষন্তেকৰ বাবে—নুবুজা সাঁথৰ যেন লগা মহাৰাজৰ কথাৰ উত্তৰ নিদিয়াকৈ

থকাৰ অন্তত জয়সেনে হঠাৎ কৈ উঠিল, "নিশ্চয়—নিশ্চয় ! সেই কথাত মোৰনো কি কৰিব বা ক'বলগীয়া আছে ?— পিছে এটা কথা। সেই বিষয়টোক বাস্তৱত ৰূপ দিবাৰ আগতে আমাৰ শত্ৰু —ভোজ, নগ আৰু চক্ৰৰাজ্যৰ বলিয়াবিলাকক খেদি পঠাব লাগে।"

"ঠিক, ঠিক।" মহাৰাজে বন্ধু জয়সেনৰ কথাত সন্মতি দিলে আৰু তেতিয়াই এইবোৰ অকাৰণ-শত্ৰুক অনতিপলমে কোশলৰাজ্যৰ সীমাৰপৰা খেদিব লাগে বুলি আদেশ প্ৰদান কৰিলে।

ৰাজকোঁৱৰ কীৰ্তিবৰ্মাৰ সেনাপতিত্বত

সেই তিনি-শত্ৰুক মাৰি-কাটি খাস্তাং কৰি খেদোৱা হ'ল। তিনি-শত্ৰুৰ বিৰুদ্ধে বিষম যুঁজেৰে ৰাজকোঁৱৰ কীৰ্তিবৰ্মাৰ শৌৰ্য্য-বীৰ্য্যৰো দেখ দেখ প্ৰমাণ পোৱা গ'ল।

ইতিমধ্যে—সেই ভোজ, নগ আৰু চক্ৰৰ চক্ৰান্তকাৰীহঁতৰ বিৰুদ্ধে যুঁজ দিয়াৰ আগতেই— দেৱী জ্বালামুখীৰ মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল আৰু কীৰ্তিবৰ্মা যুদ্ধক্ষেত্ৰত থকাত কীৰ্তি-সেনায়েই দেৱী জ্বালামুখীৰ মন্দিৰৰ নিৰ্মানকাৰ্য্য চোৱা-চিতা কৰিছিল।

মন্দিৰৰ নিৰ্মাণকাৰ্য্য অতি সুন্দৰভাবে চলি থকাৰ বাতৰি পাই কীৰ্তিবৰ্মাৰ অনন্দৰ সীমা নাথাকিল। যি কি নহওক —তিনিও শত্ৰুক খেদাৰ কাম যেতিয়া সমাপ্ত হ'ল—তেতিয়া কীৰ্তিবৰ্মাই বিজয় গৰ্বৰে যুদ্ধক্ষেত্ৰৰপৰা উভতি আহি দেৱী জ্বালামুখীৰ নৱ-নিৰ্মিত মন্দিৰলৈ গৈ মন্দিৰৰ নিৰ্মাণকাৰ্য্য চাই বিমোহিত হ'ল।

জ্বালামুখী মন্দিৰৰ দ্বাৰোদ্ঘাটন উপলক্ষ্যে গুৰু কৃষ্ণচন্দ্ৰক নিমন্ত্ৰণ কৰি লৈ অহা হ'ল আৰু মন্দিৰৰ দ্বাৰোদ্ঘাটনৰ অন্তত প্ৰজাসাধাৰণৰ আগ্ৰহত আৰু বিপুল জয়ধ্বনিৰ মাজত দেৱী জ্বালামুখীৰ সন্মুখতে ৰাজকোঁৱৰ কীৰ্তিবৰ্মাৰ লগত কীৰ্তিসেনাৰ বিবাহও গুৰু কৃষ্ণচন্দ্ৰৰ পৌৰোহিত্যত— মন্দিৰৰ দ্বাৰোদ্ঘাটনৰ লগত একেলগেই অনুষ্ঠিত হ'ল।

ৰজা কীৰ্তিবৰ্মা আৰু ৰাণী কীৰ্তিসেনা বহুকাল জীয়াই থাকি অতি মৰমেৰে প্ৰজা-পালন কৰিছিল; কিন্তু সেই মন্ত্ৰশক্তি-সম্পন্ন বিচিত্ৰ কণ্ঠহাৰৰ শক্তিক সামান্যতম কাৰণতো ব্যৱহাৰ নকৰিছিল। মহাৰাণী কীৰ্তিসেনাৰ অনুৰোধত মহাৰাজ কীৰ্তিবৰ্মাই নিজৰ বুদ্ধিমত্তা আৰু শক্তি-মত্তাৰেই মংগলকৰ ভাবে প্ৰজাপালন কৰি প্ৰজাৰাইজৰ অপৰিমেয় শ্ৰদ্ধা-ভক্তি আৰু খ্যাতিৰ অধিকাৰী হৈছিল। [অন্ত]

ধৰম-চিয়া

তথাপি বিক্ৰমাদিত্য পুনৰ গৈ থাকিল মৃতদেহ কান্ধত লৈ ঘোপমৰা এন্ধাৰৰ মাজেদি ভূতপ্ৰেতৰ আবাসস্থল সেই মৰিশালিলৈ। এইবাৰ বেতালে কৈ উঠিল, "হে ৰজা, কেতিয়াবা মোৰ সন্দেহ হয়—তুমিও কিজানি ৰাজসিংহাসনৰ দৰে ৰাজকুঁৱৰী বিজয়েশ্বৰীৰ নিচিনা কোনোবাজনীক পাবলৈ কিবা ধৰণৰ অলৌকিক শক্তি আৰ্জিবলৈ যুগ যুগ ধৰি শ্ৰম কৰি আছা। কিন্তু তোমাৰ প্ৰত্যাশা যদি ন্যায়ধৰ্মোচিত নহয়, তেনেহ'লে—সেই শক্তি আৰ্জিলেও ব্যৰ্থ হ'ব পাৰে। তোমাক সতৰ্ক কৰিবলৈ কথাখিনি ক'লোঁ। এই বিষয়ে তোমাক সচেতন কৰিবলৈ মই ধৰ্ম-অধৰ্মৰ কাহিনী এটি কওঁ শুনা, যিটি কাহিনী শুনি শুনি গৈ থাকিলে আন লাভ নহ'লেও তোমাৰ পথশ্ৰমো কথঞ্চিত লাঘৱ হ'ব।" এই বুলি বেতালে কৈ থাকিল:

'বেতাল-কথা'



চন্দনপুৰৰ ৰজা ৰাজসিংহৰ ব্যক্তিগত তথা ৰাজ্যগত সমৃদ্ধিৰ কাৰণে চুবুৰীয়া ৰজাসকলৰ দুজনমান অতিপাত ঈৰ্ষান্বিত হৈ উঠালৈ লক্ষ্য কৰি ৰজা ৰাজসিংহই এই বিষয়ে আলচিবলৈ ৰাজগুৰু চিন্ময়ানন্দ-স্বামীক আমন্ত্ৰণ কৰি অনালে।

ৰজা ৰাজসিংহৰ ভীতিৰ কথা শুনি স্বামী চিন্ময়ানন্দই কিছু সময়লৈ মৌন হৈ থকাৰ অন্তত ক'লে, "শত্ৰুসৈন্যৰ বিৰুদ্ধে যুদ্ধ—নিশ্চয় কৰিব লাগিব। ৰাজ্যৰক্ষা-প্ৰজাৰক্ষা— ৰাজধৰ্ম। কিন্তু—বিশেষকৈ দুখন চুবুৰীয়া ৰাজ্য—মণিমেখলা—আৰু সৌগন্ধপুৰৰ সৈন্যবাহিনী বিশাল হোৱাত চন্দনপুৰৰ বিপদ সূচিত হৈছে। ঠিক আছে যদি সেই দুখন ৰাজ্যৰ সৈন্যবাহিনীয়ে অন্যায়ভাবে অধৰ্মৰ বাটেৰে আক্ৰমণ কৰে, তুমি নিশ্চয় বিজয়ী হ'বা। কাম এটা কৰা। আমাৰ এই চন্দনপুৰৰ উত্তৰসীমাত থকা অটব্য অৰণ্যস্থিত কালী গোসাঁনীৰ মন্দিৰলৈ যোৱা। তাত এপাট স্বৰ্ণ-তৰৱাৰি পাবা গোসাঁনীৰ আসনৰ তলত। সেই স্বৰ্ণতৰৱাৰিৰে অধৰ্মাচাৰী অন্যায় আক্ৰমণকাৰীক তুমি নিশ্চয় পৰাস্ত কৰিব পাৰিবা; কিন্তু তুমি যদি অন্যায় কৰা, তেনেহ'লে সেই স্বৰ্ণ তৰৱাৰি কাষ্ঠ-তৰৱাৰিলৈ পৰিৱৰ্তিত হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।"

ৰাজগুৰুৱে কোৱা মতে ৰজা ৰাজসিংহ সেই কালী গোসাঁনীৰ মন্দিৰলৈ গ'ল আৰু তাত, গোসাঁনীৰ আসনৰ তলত সোণৰ সেই তৰোৱাল দেখা পালে।

ৰাজসিংহই যেতিয়া সেই সোণৰ তৰোৱাল হাতত ল'লে, তেতিয়া তেওঁ তেওঁৰ দেহত অদ্ভুত শক্তি অনুভৱ কৰিলে।

সাতদিনৰ অন্তত মণিমেখলা আৰু সৌগন্ধপুৰৰ সৈন্য-বাহিনীয়ে অতৰ্কিতে চন্দনপুৰ আক্ৰমণ কৰিলে আৰু চন্দনপুৰ ৰাজ্যৰ ৰজা ৰাজসিংহই স্বয়ং সেই স্বৰ্ণ তৰৱাৰি হাতত লৈ শত্ৰুসৈন্যৰ ওপৰত

জঁপিয়াই পৰিল। শত্ৰুৰ সৈন্য বাহিনীক ৰাজসিংহই কচুকটা দিলে আৰু যিখিনি নমৰাকৈ থাকিল সেইখিনিয়ে উবাজুবাত কৰ্ফাল খাই পৰি ফেটীৰ মূৰ ছিঙা লৰ দি ফৰিংছিটিকা দিলে!

মণিমেখলা আৰু সৌগন্ধপুৰৰ ৰজাদ্বয়ে পৰাজয় মানি লৈ চন্দনপুৰ ৰাজ্যক বছৰেকীয়া কৰ প্ৰদান কৰাৰ চৰ্তত সন্মত হ'ল। আৰু এইদৰেই স্বৰ্ণ তৰবাৰিৰ কথা চতুৰ্দিশত জনাজাত হৈ পৰিল।

এই ঘটনাৰ কিছুদিনৰ অন্তত ৰজা-ৰাজসিংহ চিকাৰলৈ ওলাল। প্ৰায় গোটেই দিন ধৰি চিকাৰৰ অন্তত যেতিয়া পুনৰ ৰাজধানীমুৱা হ'ল, তেতিয়া হঠাৎ সেই অৰণ্যত 'ৰক্ষা কৰা! ৰক্ষা কৰা'! বুলি নাৰীকণ্ঠৰ আৰ্তনাদ উঠিল আৰু ৰজা ৰাজসিংহই সেই আৰ্তনাদ অনুসৰণ কৰি ঘোঁৰাত উঠি তালৈ গ'ল।

এজোপা বিৰাট গছৰ তলত দোলা এখন আৰু কেইজনীমান যুৱতী আছিল। যুৱতীহঁত ভয়ৰ কোবত কঁপি আছিল আৰু দোলাৰ ভিতৰত শেঁতাপৰা মুখেৰে বৈ আছিল এজনী অপূৰ্ব ৰূপৱতী যুৱতী।

ৰজা ৰাজসিংহক এজনী যুৱতীয়ে ক'লে, "হে পৰাক্ৰমী ৰাজন্! আমাৰ ৰাজকুঁৱৰীক বন-বিহাৰলৈ ইয়ালৈ আহিছিল। তেনেতে সেই দুষ্ট যুৱাই আমাৰ ৰাজকুঁৱৰীক অপহৰণ কৰি লৈ যাবলৈ চেষ্টা কৰিছে আমাক ৰক্ষা কৰক!"

ৰজা ৰাজসিংহই সেই স্বৰ্ণ তৰবাৰি খাপৰপৰা উলিয়াই আনি দুষ্ট যুৱাক আক্ৰমণ কৰামাত্ৰেই যুৱাৰ হাতৰপৰা তাৰ তৰোৱাল উফৰি পৰিল।

ৰজা ৰাজসিংহই তেওঁৰ তৰোৱাল সেই দুষ্ট যুৱাৰ বুকুত হেঁচি ধৰি সুধিলে, "কোৱা, তুমি কোন? ৰাজকুঁৱৰীক তুমি কিয় অপহৰণ কৰাৰ চেষ্টা কৰিছিলা— সঁচা কথা কোৱা।"

যুৱাই তলমূৰ হৈ ক'লে, "মোৰ নাম

কল্যাণবৰ্মা। মই—বসন্তৰাজ্যৰ ৰাজকুমাৰ। সৌগন্ধপুৰৰ এই ৰাজকুমাৰীক মই বিবাহ কৰাম বুলি স্থিৰ কৰিছোঁ। মই এই ৰাজকুমাৰী বিজয়েশ্বৰীক ভাল পাওঁ। কিন্তু ৰাজকুমাৰীয়ে—কি কাৰণত ক'ব নোৱাৰোঁ।—চন্দনপুৰৰ ৰজা ৰাজসিংহকহে পতিৰূপে বাঞ্ছা কৰিছে বুলি জানিলোঁ। আৰু সেইহে— বিজয়েশ্বৰীক অপহৰণ কৰি ৰাক্ষস-বিবাহ কৰাৰ বাহিৰে মোৰ কোনো উপায় নাছিল।"

এনে অপ্ৰত্যাশিত ঘটনা শুনি ৰজা ৰাজসিংহ অলপ পৰলৈ মৌন হৈ থাকিল আৰু তাৰ পাছত যুৱাক ক'লে, "যিয়েই নহওক যুৱতী এজনীক অপহৰণ কৰাটো অতি নিকৃষ্ট অপৰাধ—অধৰ্মৰ কাৰ্য্য।"

ৰাজকোঁৱৰ কল্যাণে ৰাজসিংহৰ সোণৰ তৰৱাৰিলৈ চাই ক'লে, "আপুনি—ৰজা ৰাজসিংহ নহয়নে?"

ৰাজসিংহই 'হয়' বুলি কৈ ৰাজকুঁৱৰী বিজয়েশ্বৰীলৈ চালে।

তেতিয়া বিজয়েশ্বৰীৰ সখিয়েক এজনীয়ে ৰজা ৰাজসিংহক ক'লেহি, "অহা শ্ৰীপঞ্চমীৰ দিনা ৰাজকুঁৱৰীৰ স্বয়ম্বৰ পতা হ'ব। তাত তৰৱাৰি-যুদ্ধ প্ৰতিযোগিতাও হ'ব। ৰাজকুঁৱৰী বিজয়েশ্বৰীয়ে আমন্ত্ৰণ জ্ঞাপন কৰিছে তালৈ যাবলৈ।"

"নিশ্চয় যাম।"

এই বুলি কৈ, ৰজা ৰাজসিংহ ঘোঁৰাত উঠি গুচি গ'ল। ৰাজকোঁৱৰ কল্যাণ আগতেই তাৰপৰা গুচি গৈছিল।

*

তেতিয়া শ্ৰীপঞ্চমীৰ দিন সমাগত। ৰজা ৰাজসিংহই সৌগন্ধপুৰলৈ যাবলৈ যো-জা কৰা দেখি ৰাণী ৰজনীগন্ধাই ৰাজসিংহক ক'লে, "আপুনি অগ্নিসাক্ষী-ধৰ্মসাক্ষী কৰি মোক বিবাহ কৰিছিল। তেনেস্থলত—মই জীয়াই থাকোঁতেই—পুনৰ্বিবাহলৈ যাত্ৰা কৰা উচিত হৈছেনে?"

কিন্তু ৰাণীৰ কথাত ৰজা নদমিল।

তেওঁ ক'লে, "ক্ষত্ৰিয়ৰ দ্বিতীয় বিবাহ শাস্ত্ৰসিদ্ধ—ধৰ্মসম্মত।"

ৰাজসিংহ সৌগন্ধপুৰলৈ গ'ল। তেওঁ যেতিয়া স্বয়ম্বৰ সভাৰ ৰভালৈ সোমাল, তাত অস্ফুট গুঞ্জন ধ্বনিত হ'ল: সেই স্বৰ্ণ তৰৱাৰি! স্বৰ্ণ তৰৱাৰি! —আৰু ৰাজসিংহৰ আহ্বান সত্ত্বেও তেওঁৰ বিপৰীতে তৰৱাৰি দাঙি কোনো এজনো যুঁজ দিবলৈ আগ বাঢ়ি নাছিল। স্বৰ্ণ তৰৱাৰি মহিমা নজনা কোনো নাই।

হঠাৎ—এচুকত বহি থকা ৰাজকোঁৱৰ কল্যাণে কৈ উঠিল, "মই যুঁজিবলৈ সাজু।"

এই বুলি কৈয়েই তৰোৱাল হাতত লৈ আগুৱাই অহা দেখি ৰজা ৰাজসিংহ ইতিকিঙৰ সুৰৰে কৈ উঠিল, "অ—তুমিহে! অৰণ্যৰ অপমান তোমাৰ বাবে যথেষ্ট নহ'ল দেখিছোঁ। ঠিক আছে, পূৰাপূৰিকৈ আজি দিয়া যাব।"

দুয়োৰো মাজত তৰৱাৰি-যুদ্ধ আৰম্ভ হ'ল। হঠাৎ কল্যাণবৰ্মাৰ তৰোৱাল ৰাজসিংহৰ তৰোৱালত লাগিল আৰু লগে লগে ৰাজসিংহৰ স্বৰ্ণ তৰৱাৰি কাষ্ঠ-তৰৱাৰি হৈ পৰিল! ৰাজসিংহৰ মুখ শেঁতা পৰিল আৰু সিপিনে অন্যান্য ৰাজকোঁৱৰৰ বিৰাট হৰ্ষধ্বনিৰ মাজত ৰাজকুঁৱৰী বিজয়েশ্বৰীয়ে ৰাজকোঁৱৰ কল্যাণৰ ডিঙিত বৰমাল্য পিন্ধাই দিলে।

আৰু—সেই কাঠৰ তৰৱাৰিও পুনৰ



সোণৰ তৰৱাৰিলৈ ৰূপান্তৰিত হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! কালী গোসাঁনী-প্ৰদত্ত স্বৰ্ণ-তৰৱাৰিৰে ৰজা ৰাজসিংহই হেলাৰঙে মণিমেখলা আৰু সৌগন্ধপুৰীয়া সৈন্যইতক পৰাস্ত কৰিছিল, ৰাজকোঁৱৰ কল্যাণবৰ্মাকো অৰণ্যত মজা এপালি ভালকৈয়েই খুৱাইছিল। সিস্থলত —ৰাজকুঁৱৰী বিজয়েশ্বৰীয়ে নিজেই ৰাজসিংহক বিবাহ কৰাৰ সংকল্প কৰিছিল —ৰাজসিংহৰ অধৰ্মৰ প্ৰশ্ন নুঠে তেনেহ'লে —স্বৰ্ণ-তৰৱাৰি কাষ্ঠ-তৰৱাৰি হৈছিল কিয়? আৰু—বিজয়েশ্বৰীয়ে কল্যাণক পতিৰূপে বৰণ কৰি বৰমাল্য পিন্ধোৱাৰ পাছ মুহূৰ্ত্ততে সেই কাষ্ঠ-তৰৱাৰি পুনৰ স্বৰ্ণ-তৰৱাৰিলৈ ৰূপান্তৰিত হৈছিল কিয়? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালৰ মনৰ সন্দেহ গুচাবলৈ ক'লে, "ৰাজগুৰুৱে স্পষ্টকৈয়েই ৰজা ৰাজসিংহক কৈছিল যে কালী-গোসাঁনীৰ স্বৰ্ণ-তৰৱাৰিৰে কেৱল ধৰ্মযুদ্ধহে কৰিব পৰা হ'ব, অধৰ্ম আচৰণত এই স্বৰ্ণ-তৰৱাৰি কাষ্ঠ-তৰৱাৰিলৈ পৰিৱৰ্তিত হ'ব। যদি কোনো ৰাজ্যত আকালে-অনাটনে দেখা দিয়ে, কিম্বা ৰাজ্য এখন যদি বানপানীৰ কবলত পৰে কিম্বা যদি খৰে কোবাই যায়—তেনে অৱস্থাত আক্ৰমণ হলে তেনে আক্ৰমণক অধৰ্ম আক্ৰমণ বুলি অভিহিত কৰিব পাৰি, সেইবিধ আক্ৰমণ ক্ষাত্ৰধৰ্মবিৰোধীও হয়। কিম্বা—অকাৰণ-শত্ৰুতাজনিত আক্ৰমণকো নিশ্চয় অধাৰ্মিক আক্ৰমণ বুলি কোৱা যাব নিশ্চয়।

আৰু ঠিক এই কাৰণেই ৰজা ৰাজসিংহই দেৱী-প্ৰদত্ত স্বৰ্ণ-তৰৱাৰিৰে প্ৰকৃতপক্ষেই হেলাৰঙেই দুই ৰাজ্যৰ সৈন্যবাহিনীৰ যুগ্ম-আক্ৰমণক প্ৰতিহত তথা পৰ্য্যুদস্ত কৰিব

পাৰিছিল "এতিয়া—ৰাজকোঁৱৰ কল্যাণ-বৰ্মাৰ কথা কওঁ। কল্যাণবৰ্মাই সৌগন্ধি-পুৰৰ ৰাজকুঁৱৰীক অপহৰণ কৰিবলৈ চেষ্টা কৰিছিল, আৰু তাৰ ফলত কল্যাণবৰ্মাই অধৰ্ম কৰিছিল বুলিয়েহে স্বৰ্ণ-তৰৱাৰিৰে ৰাজসিংহই সেইবোৰো হেলাৰঙেই কল্যাণ-বৰ্মাক ফূ-তে উৰাই দিব পাৰিছিল। কিয়নো — 'ধৰ্ম' কল্যাণবৰ্মাৰ সৈতে নাছিল। এইবোৰ কথাত ধৰ্ম, ৰাজসিংহৰ ফলীয়া হৈ আছিল, আৰু তেওঁ সেই কাৰণে অতি সহজভাবে বিজয়ী হৈছিল।

"এতিয়া কওঁ—বিজয়েশ্বৰীৰ বিবাহৰ কথা, তথা ৰাজসিংহৰ পুনৰ্বিবাহৰ কথা।

"ৰজা ৰাজসিংহ ক্ষত্ৰিয়, আৰু সেই কাৰণে, তেওঁৰ পক্ষে দ্বিতীয় বিবাহ অশাস্ত্ৰীয় হয়তো নাছিল ; কিন্তু ধৰ্মপত্নী জীয়াই থাকোঁতে পুনৰ্বিবাহ— নিশ্চয় অধৰ্মোচিত আছিল। গতিকে—প্ৰথম পত্নীৰ সৈতে যে অন্যায় আচৰণ—সেই আচৰণেই আছিল 'অধৰ্ম'। আৰু সেই কাৰণেই ৰজা ৰাজসিংহৰ তুলনাত অতি দুৰ্বল প্ৰতিপক্ষ হোৱা সত্বেও কল্যাণবৰ্মাৰ তৰৱাৰিৰ স্পৰ্শ পোৱামাত্ৰেই ৰাজসিংহৰ অসীম শক্তিসম্পন্ন স্বৰ্ণ-তৰৱৰি কাষ্ঠ-তৰৱাৰি হৈ পৰিছিল।

"এতিয়া ক'ম—কাষ্ঠ-তৰৱাৰি পুনৰ স্বৰ্ণ-তৰৱাৰিলৈ ৰূপান্তৰিত হোৱাৰ কথা। স্বয়ম্বৰৰ নিয়ম অনুস'ৰে বিজয়েশ্বৰীয়ে বিজয়ী কল্যাণবৰ্মাক পতিত্বত বৰণ কৰাৰ বাহিৰে কোনো উপায় নাছিল। কিন্তু যেতিয়াই সেই বিবাহ হৈ গ'ল, তেতিয়া ৰজা ৰাজসিংহও অধৰ্ম-মুক্ত হ'ল আৰু কাষ্ঠ-তৰৱাৰি পুনৰ স্বৰ্ণ-তৰবাৰিলৈ ৰূপান্তৰিত হ'ল।"

ৰজা বিক্ৰমদিত্যাই এই কথা কোৱাৰ লগে লগে বেতালে সেই মৃতদেহটোৰে সৈতে বিজুলীগতিৰে পুনৰ সেই গছজোপাৰ বিৰাট ডালত পুনৰ ওলমি থাকিল। [কল্পিত

বহিব জানিলে……

হেলাপুৰৰ নবীন ভাড়া-ঘৰত থাকে। কিন্তু ঘৰৰ মালিকৰ ছোৱালীৰ বিয়া, সেইহে ঘৰ খালী কৰি দিব লাগিব।

নবীনৰ চাৰিটি ল'ৰা-ছোৱালী। গতিকে—ঘৰ এটা লাগেই। কিন্তু পোৱাহে নাই। ঘৰ নথকা নহয়, আছে ; কিন্তু প্ৰতিজন মালিকৰ কথা একেটাই : ইমানবোৰ ল'ৰা-ছোৱালী—অসুবিধা হ'ব—ঘৰ দিয়া সম্ভৱ নহ'ব। ল'ৰা-ছোৱালী বেছি হোৱাতহে এই বিপত্তি—ঘৰ দিয়াত আপত্তি। নবীনে ঘৰৰ গৰাকীইতক বুজাই-মেলি ঘৰ এটা ভাড়ালৈ লোৱাৰ ইমান যে চেষ্টা কৰিছিলি কিন্তু একোপধ্যেই সফল নহৈছিল। ইপিনে—যিটো ঘৰত এতিয়াও আছে, খালী কৰি দিবলৈ ঘৰ-মালিকে হেঁচা দি আছিল।

নবীনৰ নওবছৰীয়া ল'ৰাটোৱে তাৰ দেউতাকৰ এই চেপেনাত পৰা অৱস্থালৈ লক্ষ্য কৰিলে আৰু তাৰ পাছত এই ঘৰৰ মালিকক ক'লেগৈ ঘৰ এটা ভাড়ালৈ দিবলৈ।

"ক—ত্তই আহিছে-গৈছে, মই কাকো দিয়া নাই। গাল গাল ল'ৰা-ছোৱালী থকাইতক ঘৰ দিব নোৱাৰি।" ঘৰটোৰ গৰাকীয়ে ক'লে।

নবীনৰ ল'ৰাটোৱে ক'লে, "সঁচা কৈছো, মোৰ কোনো ল'ৰা-ছোৱালী নাই। মোৰ মা দেউতা ভাই ভনী—বছ। এইকেজনৰ বাহিৰে আন কোনো নাই। দয়া কৰি ঘৰটো দিয়ক।

অতি নম্ৰতাৰে ল'ৰাটেৰে কথাখিনি কোৱাত ঘৰৰ গৰাকীৰ মনটো কুমলিল আৰু ল'ৰাটোৰ বুদ্ধিমত্তাৰ শলাগ লৈ ঘৰটো দিবলৈ মান্তি হ'ল।

সৰু ল'ৰাটিৰ বুদ্ধিৰেই নবীনৰ ঘৰ-সমস্যাৰ সমাধান হৈছিল। বহিব জানিলে—মাটিয়েই পীৰা।

ভাৰতৰ বৃক্ষৰাজি

ৰাত-কী-ৰাণী

দেৱলোকত থকা পাৰিজাত পুষ্পৰ কাহিনী সুবিদিত : সাগৰ মথোঁতে উঠা, ইন্দ্ৰৰ বাৰীত থকা ফুলৰ গছ — সত্যভামাৰ নেৰানেপেৰা অনুৰোধত শ্ৰীকৃষ্ণই ইন্দ্ৰৰ বাৰীৰপৰা তুলি আনি নিজৰ ফুলনিবাৰীত ৰুই থৈছিল। আৰু পাছত এই ধৰাধামত, বিশেষকৈ এই ভাৰত-ভূমিতে সেই পুষ্প পুলি হামাৰভাৱে উপজিছিল।

'পাৰিজাত' নামটো হ'ল সংস্কৃত নাম। হিন্দী ভাষাত 'হৰছিংগাৰ', বাংলাত 'শেফালিকা', তামিলত 'পাভিজা-মল্লি' আৰু অসমীয়াত — ?

শেৱালি। বৰ মিঠা নাম। গোন্ধও মিঠা বৰ। হালধীয়া ঠাৰিৰ মূৰত বগা পাহি মেলি সৰু সৰু সুগন্ধি ফুল আৰু তাৰ মজলীয়া আকাৰৰ গছ। ইয়াৰ পাতৰ ৰস কিন্তু তিত, জ্বৰৰ দৰব, আৰু— ফুলৰ হালধীয়া ৰসেৰে কাপোৰ আৰু মিঠাই বোলায়। ফুলবোৰ দেখাত অনুপম, কিন্তু সোৱাদত তিতা। এই ফুলেৰে আনকি আঙ্গাও কোনোৱা-কুমু বয়ে নোখোৱা নহয়।

ইংৰাজসকলে ইমান ধুনীয়া শেৱালিক নাম দিছে Sorrowfuf tree—'দুখৰ গছ' বা 'বিষাদ-বৃক্ষ !' সিমানেই নহয়, শেৱালিক ইংৰাজে কয় Indian Mourner—'ভাৰতীয় বিলাপকাৰী' ফুলগছ বুলি !

ৰাতিৰ পৰতে শেৱালি ফুল সৰি পৰে, সেই কাৰণে 'বিলাপ' কৰে তথা কান্দে বুলি কোৱা হয়—যাৰ কোনো ব্যাখ্যা নাই।

পিছে—কিংবদন্তি মতে—পাৰিজাত আছিল এগৰাকী ৰাজকুঁৱৰী আৰু পাৰিজাতে সূৰ্য্যক ভাল পাইছিল। যেতিয়া সূৰ্য্য অস্তমিত হ'ল, তেতিয়া ৰাজকুঁৱৰী পাৰিজাত আত্মঘাতিনী হ'ল আৰু তেওঁৰ ভস্মৰপৰাহে হেনো এই অনবদ্য ফুলগছ উপজিল। সেইহে—সূৰুযে ভুমুকিউৱাৰ আগতেই শেৱালি সৰি পৰে—সূৰুযৰ মুখলৈ নাচাব বুলি। এয়ে হ'ল ৰাতিৰ ৰাণীৰ বিষাদ-কাহিনী।

শেৱালিৰ উদ্ভিদবিদ্যাগত (বটানিক্যাল) নাম হ'ল—Hyctanthes arbartrestis—যাৰ অৰ্থ হ'ল 'ৰাতিৰ ফুল' আৰু 'বিষাদ নিবিধ'! উত্তৰ ভাৰতত এই ফুলৰ নাম—'ৰাত-কী-ৰাণী'!

গৌতম বুদ্ধৰ দৰেও মহাবীৰও ২৬০০ বছৰৰ আগতে ৰাজ-পৰিয়ালতে জন্মগ্ৰহণ কৰিছিল তাহানিকালৰ বৈশালী দেশত। মহাবীৰ বয়সত আছিল বুদ্ধতকৈ জ্যেষ্ঠ, আৰু দুয়োগৰাকীয়েই প্ৰায় সমসাময়িক কালতে সমাজক শিক্ষাদান কৰিছিল।

মহাবীৰ 'জীন' ৰূপে খ্যাত হৈছিল, যাৰ অৰ্থ হ'ল—'ইন্দ্ৰিয়-দমনকাৰী'। কাম-ক্ৰোধ-লোভ-মোহ--সকলোইন্দ্ৰিয়ৰ ঊৰ্ধলৈ যাব পাৰিছিল তেওঁ! 'জিনৰ'পৰা উৎপত্তি হৈছিল 'জৈন' ধৰ্ম তথা জৈন-বিশ্বাস।

কিন্তু কোৱা হৈছে যে—মহাবীৰে তেওঁৰ পূৰ্বজ ২৩ গৰাকী শিক্ষাগুৰুৰ শিক্ষাকহে পুনঃপ্ৰৱৰ্তন কৰিছিল। তেওঁলোকক 'তীৰ্থংকৰ' বুলি কোৱা হৈছিল। মহাবীৰে বাৰ বছৰ কাল তপস্যা কৰি 'কৈবল্য' অৰ্থাৎ 'সত্য'-জ্ঞান প্ৰাপ্ত হৈছিল।

ভালেমান সংকলনত মহাবীৰৰ শিক্ষা পৰিদৃষ্ট হয় (অংগ, পূৰ্ব আৰু পঞ্চপ্ৰকৰণ)। বিনয়-বিজয়-সংকলিত 'লোকপ্ৰকাশ' নামৰ সংকলনত জৈন-ধৰ্মৰ গভীৰতাৰ বিষয়ে বিস্তাৰিত তথ্য পৰিলক্ষিত হয়।

মহাবীৰে তপস্বীৰ জীৱন যাপন কৰিছিল। তেওঁ মানৱকুলক সৎ জীৱন যাপন কৰিবলৈ কৈছিল, জন্ম আৰু মৃত্যুৰ বিষয়ে অলপো চিন্তাবিহীন জীৱন যাপন কৰিবলৈ উদগাইছিল। এনেহেন জীৱন—সঠিক বিশ্বাস, সঠিক জ্ঞান আৰু সঠিক সত্য

আচৰণেৰেহে সম্ভৱ বুলি তেওঁ কৈছিল।

জৈনধৰ্মত 'ঈশ্বৰ'ৰ অস্তিত্ব নাই, যদিও ঐশ্বৰিক গুণাৱলী মানৱে কেনেকৈ আৰ্জিব পাৰে, তাৰ কথা কোৱা হৈছে।

জৈনধৰ্ম আৰু হিন্দুধৰ্ম বহুক্ষেত্ৰতে একেই। কৰ্ম, পুনৰ্জন্ম, পাপক্ষয়ৰ যোগেদি মুক্তি অৰ্জন—ইত্যাদি কথাত হিন্দুধৰ্মৰ সৈতে জৈনধৰ্ম মিলে।

মহাবীৰৰ অন্যতম মহৎ শিক্ষা হ'ল 'অহিংস আচৰণ'। এই অহিংসা কেৱল আচৰণতে নহয়, মনৰ চিন্তাতো হ'ব লাগিব।

মহাবীৰৰ অন্য এটি মহান শিক্ষা হ'ল সকলো বিষয়ৰপৰা বন্ধন মুক্তি। আনকি তেওঁ বস্ত্ৰও পৰিত্যাগ কৰিবলৈ কৈছে। কিছুসংখ্যক জৈন ধৰ্মাৱলম্বীয়ে তেওঁলোকৰ দেহক আহাৰ্য্যৰপৰাও মুক্ত ৰাখে। কিয়নো, আহাৰ্য্যও এবিধ লালসা। মহাবীৰৰ দেহান্তৰ অন্তত জৈনধৰ্ম দুটা ধাৰাত বিভক্ত হ'ল —'শ্বেতাম্বৰ' আৰু 'দিগম্বৰ'। 'দিগম্বৰ' জৈনসকলে বস্ত্ৰাদি একেবাৰেই নিপিন্ধে, মহাবীৰ-প্ৰৱৰ্তিত নিয়মত কঠোৰ অতি। কিন্তু শ্বেতাম্বৰ-সকলে শুভ্ৰ বসন পিন্ধে।

আমি জানোনে ?

১. ভাৰতৰ কোনখন নগৰক 'সৰোবৰৰ নগৰ' বুলি কোৱা হয় ?
২. এগৰাকী বিখ্যাত লেখকে লিখোঁতে কান্ধৰ ওপৰত মেকুৰ এজনী বহুৱাই লৈছিল ।—কোন ?
৩. বংগোপসাগৰ আৰু আৰব সাগৰৰ মাজত থকা আন এখন উপসাগৰৰ মাজত থকা আনএখন উপসাগৰৰ নাম কি আৰু ক'ত অৱস্থিত ?
৪. এগৰাকী বিখ্যাত কবিয়ে ভ্ৰমণকালত তেওঁৰ বিভিন্ন পালিত পশুৰ সকুস্থৰা খোৱাৰ এটি লগত লৈ ফুৰাইছিল ।—কোন ?
৫. আপোনা-আপুনি 'জোকাৰখাই থকা খনিজ বস্তু' চাবলৈ ভাৰতৰ কোন ঠাইলৈ যাব লাগিব ?
৬. ৰূপকথা লিখা এগৰাকী খ্যাতিমান লেখক আছিল বহুভাষাবিদ । —কোন ?
৭. বুদ্ধ জন্মগ্ৰহণ কৰা লুম্বিনীৰ বৰ্তমান নাম কি ?
৮. 'পাকিস্তান' নামকৰণ কোনে কেতিয়া কৰিছিল ?
৯. মিছৰদেশত প্ৰাপ্ত পুস্তকৰ নাম কি ? সেই পুস্তক কিমান পুৰণি ?
১০. আটাইতকৈ অধিক চেনি-উৎপাদন কাৰী দেশ—পৃথিৱীত কোনখন ?
১১. পৃথিৱীৰ সৰ্বাধিক মানুহে ব্যৱহাৰ কৰা ভাষা কি ?
১২. বাইবেলৰ 'পুৰণি নিয়ম' আৰু নতুন নিয়ম'ত কিমান পুস্তক আছে ?
১৩. ৪ খৃষ্ট-পূৰ্বাব্দত ভাৰত ভ্ৰমণকাৰীৰ নাম কি ?
১৪. সম্ৰাট অশোকৰ দূত যেতিয়া লংকালৈ গৈছিল তেতিয়া লংকাৰ শাসক কোন আছিল ?
১৫. সুপ্ৰাচীন কালত এগৰাকী ভাৰতীয়ই লিখা গণিতৰ পুস্তকৰ লেখক কোন ? পুস্তকখনৰ নাম কি ?

উত্তৰ

১. উদয়পুৰ ।
২. এডগাৰ এলেন পো ।
৩. ৰামেশ্বৰমত, মান্নাৰ উপসাগৰ ।
৪. লৰ্ড বায়ৰণ । তেওঁৰ দহটা ঘোঁৰা, আঠটা কুকুৰ, পাঁচজনী মেকুৰী এটা ঈগল চৰাই, এটা কাউৰী আৰু এটা শেন আছিল ।
৫. আমেদাবাদলৈ যাব লাগিব ।
৬. জেকব গ্ৰিম (১৭৮৫-১৮৬৩) । ছটাতকৈও অধিক ভাষা জানিছিল ।
৭. ৰুমিন্‌ডেল, নেপালত ।
৮. চৌধুৰী ৰহমত আলী, ১৯৩৩ চনত ।
৯. 'দ্য বুক অভ্ দ্য ডেড'—'মৃতকৰ পুথি । এই পুথিৰ একাংশত ৩২০০ খৃঃ পূঃ ত পোৱা গৈছিল ।
১০. ভাৰতবৰ্ষ ।
১১. চীনাভাষা ।
১২. যথাক্ৰমে ৩৯ আৰু ২৭ খন ।
১৩. গ্ৰিক মেগাস্থিনিছ ।
১৪. ৰজা দেৱনামপ্ৰিয় তিস্‌সা ।
১৫ ভাস্কৰাচাৰ্য্য, 'লীলাৱতী' ।



ভেবেলি

নিজৰ বুদ্ধিমত্তাৰ ওপৰত হৰেনৰ প্ৰচুৰ আস্থা আছিল। এদিন এক চুবুৰীয়া মোমায়েক হৰেনহঁতৰ ঘৰলৈ আহিল আৰু হৰেনক ক'লে, "হৰেন, তোমাৰ বুদ্ধিৰ কোনো তুলনা নাই, আমি শুনিছোঁও— জানিছোঁও। এতিয়া — কোৱাচোন— ভেবেলি লতাৰ ৰস উলিয়াই চকুত লগাই কি মন্ত্ৰ আওৰালে মাটিৰ তলত কি আছে-কি নাই মনিব পাৰি— ?"

হৰেনে হে হেৰাই হাঁহিৰে ক'লে, "হাৰে—তুমিও যে মামাহে মামা! এই-বোৰ মন্ত্ৰ-তন্ত্ৰতো তুমি বিশ্বাস কৰানে? চেঃ!"

মোমায়েকে দুখ মনেৰে ক'লে, আমাৰ মণিমাজনী তোমাৰ দৰে বুদ্ধিমন্ত হোৱাহেঁতেন কিমান যে ভাল হ'লহেঁতেন। কিন্তু তাইৰ কথা কি ক'বা। তাইৰ মন্ত্ৰ-তন্ত্ৰত ইমান যে বিশ্বাস!"

মণিমা আছিল এইজন চুবুৰীয়া মোমায়েকৰ ছোৱালী। তাই দেখাত খুব ধুনীয়া। তাইক হৰেনক দিবলৈ তাইৰ দেউতাকে চেষ্টা নকৰা নহয়, কৰিছিল। কিন্তু দেখাত ধুনীয়া হ'লেও বুদ্ধিত তাই ঘুনীয়া হোৱাতহে হৰেনে হোঁহকা দিছিল।

মামাকৰ কথাৰ উত্তৰত হৰেনে ক'লে, "কিছুমানে—অবুদ্ধিমান হৈয়েই ওপজে। এইবোৰ কথাত কাৰো হাত নাই।"

মোমায়েকে ক'লে, "তুমি আমাৰ ঘৰলৈ ব'লা। তাইক বুজাই-মেলি অলপ বুদ্ধিৰ কাষলৈ লৈ যাব পাৰানে কি, চোৱা।"

গ'ল হৰেন মোমায়েক মহীধৰৰ ঘৰলৈ ক'লে মণিমাক কথাই কথাই, "তুমি

গুণধৰ গায়ন

অৰ্থহীন কথাবোৰ বিশ্বাস নকৰিবা।"

"শুনা, মোৰো কিছু বুদ্ধি আছে—।" মণিমাই ক'লে, "অৰ্থহীন কথা বিশ্বাস কৰাত মই নাই। যি বিশ্বাস কৰিলে—লাভ নহওক লোকচান নাই — তাকে বিশ্বাস কৰোঁ মই।"

হৰেনে তাইক ৰামায়ণ-মহাভাৰত-পুৰাণ আদি পঢ়াৰ পৰামৰ্শ দিয়াত মণিমাই ক'লে যে তাই সেইবোৰ পঢ়িলে।

হৰেনে ৰামায়ণ-মহাভাৰত-পুৰাণ আদিৰ বিষয়ে তাইক কিছুমান প্ৰশ্ন সুধিলে আৰু তাইৰ উত্তৰ শুনি হৰেনে অবাক মানিলে।

তথাপি হৰেনে তাইক ক'লে, "শুনা, কেৱল বেদ-পুৰাণ জানিলেই নহ'ব, গণিত শাস্ত্ৰৰো কিছু কিঞ্চিত জানিব লাগিব, তেহে বুদ্ধিৰ বিকাশ হ'ব।"

কিন্তু মণিমা গণিতশাস্ত্ৰতো একেবাৰে কেঁচেলুৱা নাছিল। এই বিষয়েও তাইৰ পৰীক্ষা ল'লে হৰেনে আৰু পৰীক্ষাত তাই যথোচিত ফলো দৰ্শালে।

তথাপি হৰেনে ক'লে তইক, "তথাপি —যেইকোনো কথা ঘপকৈ বিশ্বাস কৰাটো—ভাল নহয়।"

মণিমাই হৰেনক ঘূৰাই সুধিলে, "এনেকুৱা কি কথানো মই 'ঘপ্‌কৈ' বিশ্বাস কৰিলোঁ—?"

তেতিয়া হৰেনে ভেবেলি লতাৰ কথা



মণিমাৰ আগত উলিয়ালে।

মণিমাই মিঠাকৈ হাঁহি মাৰি ক'লে, “তুমি নাজানা—? ভেবেলিৰ কথা—একেবাৰেই সঁচাৰো সঁচা—সাঁচেকাটে সঁচা। ঠিক আছে, তুমি ৰাধাৰ গিৰিয়েৰাক সুধি চোৱাগৈচোন।—ৰাধা মোৰ পৰম বান্ধৱী, তাই কেতিয়াও মিছা-কথা-ভুৱা কথা-আফুৰা কথাত নাই।”

“তাই নাই।—কিন্তু তাইৰ গিৰিয়েৰ তো থাকিব পাৰে।” হৰেনে হাঁহি হাঁহি মণিমাক ক'লে।

“তথাপি যোৱাইচোন—সোধাচোনগৈ—কি কয় তেওঁ?” মণিমাই ক'লে, তেওঁৰপৰা শুনি তুমি নিজেই সঁচা-মিছাৰ বুজ-বাজ ভালকৈ ল'ব পাৰিবা।”

গ'ল হৰেন ৰাধাইঁতৰ ঘৰলৈ। হৰেনৰ প্ৰশ্নৰ উত্তৰত ৰাধাৰ গিৰিয়েক ৰসিকে ক'লে, “ভেবেলিৰ শ্লোক—আঠুটি। শ্লোক আছে ঢেৰ সেই পুথিত, পিছে—ভেবেলিৰ বাবে আঠটা। একদম পথমৰপৰা—ক'তো নোৰোৱাকৈ—আঠোটা শ্লোক পাঠ কৰি—অল'মান ধিয়ান কৰিলেই—হাতে হাতে ফল। কিন্তু ইটি কাম তিৰোতাইহে কৰিব লাগে। ৰাধাই এদিন কৰি চাইছিল। তাই তেতিয়া এন্দুৰৰ গাঁতত এশ মুদ্ৰা-থকা মোনা এটা দেখা পাইছিল। ৰাধাজনীৰ ওপৰত এই শ্লোকৰ—মানে—মন্ত্ৰৰ প্ৰভাৱ এঘণ্টামানলৈকে

আছিল। আন কোনোবাজনী হোৱা-হেঁতেন গোটেই বাৰীখন চলথ কৰি চালেহেঁতেন ; কিন্তু মাত্ৰ এশটি মুদ্ৰা পায়েই—মুক্তা এৰি শুক্তা লৈয়েই—তাই আনন্দৰ জোৰাৰত উটিল। তাই আৰু' চেষ্টা চলাই আছে, পিছে—এমাহ, বা এবছৰো লাগিব পাৰে সুফল ফলিবলৈ।"

"ইমান সময়—কিয় লা গি ব ?" অবাক মানি হৰেনে সুধিলে।

"ময়ো পথমৰ ফালে তেংকৈয়েই ভাবিছিলোঁ। কিন্তু এই শ্লোক—মানে—মন্ত্ৰ আওৰোৱাৰ—কথা এটি আছে। সৰ্বমুঠ চল্লিছ হেজাৰ তুশ যাঠি বাৰলৈ আওৰাব লাগিব। যদি বৈ দিয়ে—পুনৰ পথমৰপৰা আ'ৰম্ভ কৰিব লাগিব। আৰু—এইদৰে নকৰিলে—"

"ঠিক আছে ঠিক আছে—হ'ব।" এই বুলি কৈ হৰেনে ৰাধাৰ গিৰিয়েক ৰসিকক ৰখালে আৰু সুধিলে, "সেই শ্লোকখিনি পাম ক'ত ?"

তেতিয়া ৰাধাৰ গিৰিয়েকে ঘৰৰ ভিতৰৰপৰা তালপতীয়া পুথি এখন হৰেনক আনি দিলে।

পাছত এদিন হৰেনক মণিমাই ক'লে, "শুনিছানে—? মন্ত্ৰেৰে গোবৰক সোণলৈ পৰিৱৰ্তিত কৰিব পাৰি হেনো। কথাটো মোক মোৰ সখি এজনীয়ে সিদিনা ক'লে।"

হৰেনে টপৰাই কৈ উঠিল, কি মন্ত্ৰেৰে—জানি লৈছানে ?"

"তো মা ক নো কিয়—? তোমাৰ দেখোন মন্ত্ৰ-তন্ত্ৰত একেবাৰে বিশ্বাস নাই।" মণিমাই ক'লে হৰেনক।

হৰেনে ক'লে, "এ—! ক'ৰপৰা কি হয়-নহয় কোনে ক'ব ? কোনে ক'ব কোনটো গাঁতত কিটো সাপ আছে ? এবাৰ চেষ্টা কৰি চালে—দোষ কি ?"

"ঠিক আছে, যদি তোমাৰ ইমানেই মন—গোবৰক সোণ কৰাৰ মন্ত্ৰৰ বাবে চেষ্টা কৰিম বাৰু।"

সিদিনাই তুপৰীয়াৰ পৰতে এঠাইৰপৰা ঘূৰি আহি মণিমাই হৰেনক ক'লে, "শুনা —গোবৰেৰে গোবৰখুটি, গোবৰখুটি জুইত পুৰি ছাই, সেই ছাই গায়ে-মূৰে সানি লৈ —গুপুত মন্ত্ৰ মাতিলেই হ'ল, তেতিয়া-- হাতত ল'বা গোবৰ, পাবা চেকুৰা সোণৰ। তেতিয়া—যিমান গোবৰ সিমান সোণ, ধৰা গোবৰ লোৱা সোণ মোণ মোণ। মোৰ বান্ধৱীয়ে ক'লে যে—দুনীয়াত য'ত যত সোণ আছে, এইদৰেই — এই মন্ত্ৰৰ সহায়েৰেই হৈছে।"

হৰেনে বং পাই ক'লে, "মই আৰু গোবৰ এৰাত নাই, য'তেই দেখিম গোবৰ —যেনেকৈয়েই নহওক লৈ ল'ম, সাঁচি থ'ম। তুমি ইপিনে—মাত থাকা সোণ-সোণসেৰীয়া মন্ত্ৰ, আৰু---আৰু মই হ'ম গোবৰ গোটোৱা যন্ত্ৰ।"

"কিন্তু—" মণিমাই ক'লে, "তুমি তোমাৰ মূল্যৱান সময়বোৰ এনেকৈ নষ্ট কৰানে—? মই কিন্তু ইমান বুদ্ধিহীনৰ দৰে কাম কৰাত নাই।"

"তুমি দেখোন এইবোৰত বিশ্বাসী!"

হৰেনৰ কথাৰ উত্তৰত মণিমাই ক'লে, "কেৱল বিশ্বাস কৰি থাকিলে—তাৰে মোৰ কোনো লোকচান নহয়। কিন্তু সেই অৰ্থহীন বিশ্বাসৰূপী উকাদেওৰ পিছে পিছে — ধনগুলৈক ধৰিবলৈ মূল্যৱান সময়বোৰ অবাবতে নষ্ট কৰাত মই নাই।"

ইমান দিনে জনা বুদ্ধিহীনা মণিমাৰ কথাষাৰ শুনি তাই যিটি কথা ক'লে— সোণসেৰীয়া কথা বুলি ক'বই লাগিল। আৰু—আৰু এতিয়া আৰু সি তাইক বিয়া নকৰাব বুলি ক'ব নোৱাৰিলে। কিয়নো —বুদ্ধি নথকা ঘৈণী লৈ ঘৰন কৰাৰ যি প্ৰতিজ্ঞা সি কৰিছিল, এতিয়া আৰু সেই প্ৰতিজ্ঞাত ৰ'ব নোৱাৰিলে।

মণিমাই হাঁহি হাঁহি ক'লে, "ধঁহতি পিহন্তি কি কথা ভাৱন্তি আমি জানন্তি।"



কুসংস্কাৰ

চন্দ্ৰগিৰিৰ ৰজা চন্দ্ৰবৰ্ধনৰ চিকাৰলৈ বৰ বাপ। মাহেকত কমেও এবাৰকৈ ওলাবই তেওঁ চিকাৰলৈ। কিন্তু এবাৰ তেওঁ ৰাজ-কাৰ্য্যত ইমানেই সাঙোৰ খাই পৰিল যে প্ৰায় ছমাহলৈকে চিকাৰ বন্ধ।

ছমাহৰ অন্তত এদিন তেওঁ স-পাৰিষদ স-পৰিবাৰ চিকাৰলৈ ওলাল। আৰু ওলোৱাৰ লগে লগেই ক'ৰবাৰপৰা— যেনিবা মাটি ফালি মহাৰাজৰ আগত ওলালহি এজন খৰিকটীয়া।

আপদ!

তেওঁ খৰিকটীয়টোক ৰখালে আৰু ক'লে, "হেই বুদ্ধু, মোৰ শুভযাত্ৰাৰ পথত তই বেটা খৰিকটীয়াই ওলাব পাৰনে? আজি যদি চিকাৰত বিপদ হয়,তেনেহ'লে তোৰ ছাল জীয়াই জীয়াই কাঢ়িম।"

এইজন খৰিকটীয়াৰ নাম আছিল চিৰজীৱি। কিন্তু এতিয়া সি চিৰজীৱিয়ে নিজক ক্ষণজীৱিতকৈ অধিক কিবা বুলি আৰু ভাবিব নোৱাৰিলে।

ইপিনে — মহাৰাজ চন্দ্ৰবৰ্ধনে অতি সফলতাৰে চিকাৰ কৰিলে সিদিনা।

পাছদিনা মহাৰাজে চিৰজীৱি খৰিক-টীয়াক মানুহ পঠিয়াই মতাই আনিলে আৰু পৰিপূৰ্ণ ৰাজসভাত তাক ক'লে, "কালি মই চিকাৰলৈ ওলাওঁতে তোমাৰ মুখ দেখি যাত্ৰা কৰাত মোৰ চিকাৰ বৰ সফল হ'ল। যিকি নহওক, তুমিও নিশ্চয় খৰি কাটিবলৈ জংগলৈ গৈছিলা। তোমাৰ খবৰ কি—কোৱা।"

চিৰজীৱিয়ে মহাৰাজক প্ৰণাম কৰি ক'লে; "মহাৰাজ, মই খৰি কাটিব ন

অনন্ত ঠাকুৰ

ওলাওঁতে আপোনাৰ দৰিশন লভিছিলোঁ বুলি—আন দিনাতকৈ দুগুণে খৰি পালোঁ আৰু দুগুণ দামতো বেচিলোঁ আৰু—"

মহাৰাজে খৰিকটীয়াৰ কিবা কবলৈ লওঁতেই ৰাজবৈদ্যই থিয় হৈ কৈ উঠিল, "মহাৰাজ, এই খৰিকটীয়াই গোকাট মিছা মাতিছে। হাবিত ই যেতিয়া অচেতন হৈ পৰি আছিল, মৰিবলৈ ওলাইছিল, তেতিয়া মই ইয়াক ৰক্ষা কৰিছিলোঁ।"

মহাৰাজে ক্ৰুদ্ধ কণ্ঠেৰে খৰিকটীয়াক ক'লে, "ঐ মিছলীয়া, ৰজাৰ আগতো মিছা মাতিবৰ দাঁত তোৰ হ'লনে—? সঁচাসঁচি কি কৈছিল ক', সঁচা নক'ৰ যদি তোৰ মূৰ এতিয়াই দুছোৱা হব।"

চিৰজীৱিয়ে ধাৰৰ নল-কঁপা দিলে আৰু কঁপি কঁপি ক'লে, "মম্—ম্মহাৰাজ! আপুনি চিকাৰলৈ ওলাওঁতে মোক সাৱধান কৰি থৈছিলেই, আৰু সেই কথা ভাবি ভাবি মই—য'ত আচলতে সাৱধান হ'ব লাগে—সেই হাবিত সাৱধান হ'বলৈ পাহৰি থাকিলোঁ। এজোপা গছ কাটি থাকোঁতে সাপৰ গাঁতৰ ওপৰত ভৰি দিয়াত মোক প্ৰকাণ্ড সাপ এটাই খুটিছিল আৰু তাত আমাৰ ৰাজবইদ্য দেউতাই মোক লতা-পাতেৰে যি দৰব দিছিল, সেই দৰবৰ গুণত মই ৰক্ষা পৰিছিলোঁ।" খুমনোহোৱা খৰিকটীয়াই খাড়া-পূৰাকৈ ক'লে।

শুনি মহাৰাজৰ মন কিছু কুমলিল।

তেওঁ ক'লে, "তেনেহ'লে—মোৰেই হওক তোমাৰে ইহওক—অশুভযাত্ৰা হৈছিলেই। পিছে— মোক মিছামিছিকৈ তেনেকৈ মিছা কৈছিলা কিয় ?"

"মহাৰাজ! মোৰ ক্ষমা কৰক। যি হ'ল—মোৰেই দুৰ্ভাগ্যৰ কাৰণে হ'ল। কি বোলেনে—আপোনাৰ দৰিশন লভি মোৰ এনেকুৱা দুৰ্ঘটনা ঘটিছিল বুলি লোকৰ আগত কৈ কিমতেনো আপোনাক মই লাজত পেলাওঁ—এই কথা চিন্তিয়েই তেনেকৈ মিছাকৈ কৈছিলোঁ, মহাৰাজ!" হাত যোৰ কৰি খৰিকটীয়াই ক'লে।

"যি কি নহওক—এই কথা ভালেকৈয়েই বুজিলোঁ যে মোৰ মুখ দেখি যাত্ৰা কৰাত তোমাৰ অপঘাত-মৃত্যুৰ অৱস্থা হৈছিল, তোমাক সাপে খুটিছিল। তেতিয়া কৈছিলা মিছা, এতিয়া ক'লা সঁচা। কিন্তু সঁচা-মিছাৰ ফল দেখোন একেই হ'ল— মোৰ বেইজ্জতিৰ এডাৰ—সঁচাৰ পানীৰে ধুলেও মুগুচিব, মই লোকৰ আগত নোৱাৰিম মুখ উলিয়াব।" মহাৰাজে ক্ষুব্ধকণ্ঠেৰে ক'লে।

"কিন্তু মহাৰাজ আপোনাৰ মুখদৰ্শন কৰাত মইহেন ছাল-বাকলি নথকাই যে ৰাজবইদ্যহেন বইদ্যৰ কিচ্ছা লভিলোঁ--সেই ডাঙৰৰো ডাঙৰ কথাটো—আমাৰ এই সভাত থকাসকলে নুবুজিবনে ?" চিৰজীৱিয়ে বিনম্ৰতাৰে ক'লে।

চিৰজীৱিৰ কথাত সভাসদসকলে আৰু লগতে মহাৰাজেও গিৰ্জনি মাৰি হাঁহি উঠিল। মহাৰাজে এই কথাটো মনে-চিতে উপলব্ধি কৰিলে যে আচলতে 'অশুভযাত্ৰা' বোলা যে একো নাই কুসংস্কাৰ মাথোন খৰিকটীয়াই আওপাকে সেই কথাটোকে ক'ব খুজিছে।

তেওঁ খৰিকটীয়াক এহেজাৰ মুদ্ৰা পুৰস্কাৰ দিয়াৰ উপৰিও তাক ৰজাঘৰীয়া কামত মকৰল কৰিছিল।

মহাভাৰত

৩

দুষ্যন্ত যেতিয়া 'স্বৰ্গী হ'ল, ভৰত ৰজা হ'ল আৰু কণ্বমুনি হ'ল ভৰত ৰজাৰ পুৰোহিত। কণ্বমুনি প্ৰদৰ্শিত পথেৰেই ভৰতে সুচাৰুৰূপে শাসন চলাই থাকিল। এই ভৰতৰ নামানুসাৰেই এই দেশৰ নাম 'ভাৰতবৰ্ষ'।

ভাৰতৰ পৌত্ৰৰ পুত্ৰৰ নাম আছিল হস্তি। এই হস্তিয়েই স্থাপন কৰিছিল—'হস্তিনাপুৰ'। হস্তিৰ পৰা পঞ্চম পুৰুষ আছিল কুৰু। কুৰুৰ নামেৰে প্ৰতিষ্ঠিত হৈছিল 'কুৰুক্ষেত্ৰ'। কুৰুৰ সপ্তম পুৰুষ আছিল প্ৰতীপ। শিৰি আছিল প্ৰতীপৰ পত্নী। প্ৰতীপ-কন্যা সুনন্দাৰ তিনিটি পুত্ৰৰ নাম যথাক্ৰমে—দেৱাসী, শান্তনু আৰু বাহ্লক। অগ্ৰজ দেৱাসীয়ে তপস্যাৰ্থে বনগমন কৰাত শান্তনুক ৰজা পতা হৈছিল।

এদিন চিকাৰলৈ ওলাই শান্তনুৱে গংগাৰ পাৰত বিশ্ৰাম কৰি থাকোঁতে তাত এগৰাকী সুন্দৰী যুৱতীক দেখা পাই মোহিত হ'ল। যুৱতীয়েও শান্তনুলৈ ঘূৰি ঘূৰি চাই থাকিল।

শান্তনু যুৱতীৰ কাষ চাপিল আৰু ক'লে, "হে সুন্দৰি! তুমিনো কোন? এনে নিৰ্জন নদীতীৰত কিয়নো একাকিনী উপৰিষ্টা হৈ আছা? তোমাক দেখাৰেপৰাই মোৰ মন বিয়াকুল। মোক বিবাহ কৰাত তোমাৰ কিবা আপত্তি আছেনে?"

"আপত্তি—নাই। কিন্তু চৰ্ত আছে, যি চৰ্ত পালন কৰাৰ কথা নিদিলে মই

ভীষ্ম-প্ৰতিজ্ঞা

তোমাক বিবাহ কৰাৰ নোৱাৰিম।"

"কি চৰ্ত—?" ৰজা শান্তনুৱে সুধিলে।

"মোৰ কোনো কাৰ্যৰ নিন্দা নকৰিবা, কৈফিয়ৎ নিবিচাৰিবা, মোৰ কোনো কাৰ্য্যত বাধা নিদিবা। যদি এই চৰ্ত অমান্য কৰা—তোমাক পৰিত্যাগ কৰি মই গুচি যাম।"

শান্তনুৱে সুন্দৰী যুৱতী-প্ৰদত্ত চৰ্ত মানি ল'লে।

বিবাহৰ পাছত এই যুৱতী-পত্নীৰ গৰ্ভত ইটোৰ পিছত সিটোকৈ পুত্ৰ উপজিল আৰু সেই পুত্ৰবিলাকক যুৱতীয়ে-পত্নীয়ে গংগাৰ পানীলৈ অকাতৰে বিসৰ্জন দি থাকিল।

পত্নীৰ এনেহেন পাষণ্ডী কাৰ্য্যলৈ চাই শান্তনু বিষাদিত হ'ল, কিন্তু চৰ্ত অনুসাৰে তেওঁ পত্নীক একো ক'ব নোৱাৰিলে।

যেতিয়া অষ্টম পুত্ৰটিকো বিসৰ্জন দিবলৈ ওলাল, তেতিয়া আৰু ৰ'ব নোৱাৰি শান্তনুৱে পত্নীক ক'লে "জগতত কোনোবা মাতৃয়ে এনেকৈ স্বহস্তে সন্তান বিসৰ্জন দিয়া—কোনেও দেখিছেনে? কমেও এই টি পুত্ৰক ৰেহাই দিয়া। তুমি প্ৰকৃততে কোন?"

"যদি এই পুত্ৰক তুমি বাঞ্ছা কৰিছা, নিদিওঁ বিসৰ্জন ; কিন্তু ভংগ হ'ল তোমাৰ বচন। গতিকে—মই এতিয়া তোমাক এৰি গুচি যাম, মই কোন তাৰ উত্তৰত কওঁ—ময়েই গংগা। মহৰ্ষি বশিষ্ঠই যেতিয়া অষ্টবসুলৈ মনুষ্যজনমৰ অভিশাপ দিছিল, তেতিয়া তোমাক আৰু মোক মাতা-পিতাৰূপে মনোনিত কৰিছিল আৰু সেইহে মই তোমাৰ পত্নী হৈ জীৱন যাপি আছিলোঁ। মোৰ গৰ্ভত ওপজা সন্তান আমাৰ নিজস্ব লোকলৈ প্ৰেৰণ কৰিছোঁ মই।" গংগাই সন্তান বিসৰ্জনৰ কাৰণ দৰ্শালে আৰু নিমিষতে সেই সন্তানটিৰে সৈতে অদৃশ্য হৈ গংগালোক পালে।

কাল-চক্ৰ ঘূৰি থাকিল। আকৌ এবাৰ তেওঁ চিকাৰলৈ ওলাল আৰু সেই গংগাৰ তীৰলৈ আহিল। গংগা আৰু আগৰ দৰে

হৈ থকা নাছিল। স্রোতৰ সেই তীব্ৰতা নোহোৱা হৈছিল। চাই--ৰজা শান্তনু বিস্মিত হ'ল। হঠাৎ এটা দৃশ্যলৈ তেওঁৰ দৃষ্টি পৰিল, এটি ল'ৰাই বাণ বৃষ্টি কৰি আছিল আৰু সেই বাণেৰেই গংগাৰ স্রোতধাৰ প্ৰতিহত হৈ আছিল।

আৰু অকস্মাৎ গংগা শান্তনুৰ সমুখত প্ৰকাশিত হ'ল আৰু শান্তনুক ক'লে, "সেই যে বাণবৃষ্টি কৰি আছে, সিয়েই হ'ল তোমাৰ সেই অষ্টম পুত্ৰ। যোৱা, ইয়াক লৈ যোৱা। ই বশিষ্ঠমুনিৰপৰা পঠন-পাঠন সমাপ্ত কৰিলে, পৰশুৰামৰপৰা ধনুৰ্বিদ্যা শিকিলে। ইয়াৰ নাম হ'ল দেৱব্ৰত। তুমি তাক লৈ যোৱা।"

শান্তনুৱে দেৱব্ৰতক হস্তিনাপুৰলৈ লৈ গ'ল। পুত্ৰলাভ কৰি তেওঁ অতি অনন্দিত হৈছিল।

চাৰি বছৰ অতিবাহিত হ'ল। এদিন শান্তনুৱে যমুনা-নদীতটত বিহাৰ কৰি থাকোঁতে আশ্চৰ্য এক সুগন্ধি পাই সেই সুগন্ধিৰ উৎস বিচাৰি এজনী যুৱতীক দেখা পালে। এই যুৱতীৰ দেহৰেপৰাই সুগন্ধি ওলাইছিল।

শান্তনুৱে যুৱতীক সুধিলে, "তুমি—কাৰ পুত্ৰী?"

"মই দাশৰাজৰ পুত্ৰী—মৎস্যগন্ধা। মোক বহুতে যোজনগন্ধী বুলিও কয়।"

শান্তনু সেই দাশৰাজৰ ওচৰলৈ গ'ল

আৰু মৎস্যগন্ধাক বিবাহ কৰাৰ খুজিলে।

দাশৰাজে ক'লে, "তোমাক ছোৱালী দিবলৈ কাৰনো আপত্তি হ'ব? কিন্তু— এটা চৰ্ত মানিব লাগিব। মোৰ পুত্ৰীৰ পুত্ৰ হয় যদি—তাকেই সিংহাসন দিবা।" লাগিব।"

কিন্তু— দেৱব্ৰতক যুৱৰাজৰূপে অভিষিক্ত কৰা হৈ গ'ল। তেনেস্থলত মৎস্যগন্ধাৰ পুত্ৰক কেনেকৈ ৰজা পতা যাব? এই কথা অসম্ভৱ বুলি উপলব্ধি কৰি দাশৰাজক একো নোকোৰাকৈয়েই শান্তনু তাৰপৰা গুচি গ'ল।

দেৱব্ৰতই তাৰ চিন্তামগ্ন পিতাকক সুধিলে তেওঁৰ কি হ'ল বুলি। দেৱব্ৰতই ক'লে, "আপোনাক মই বিষাদিত দেখি বেজাৰ পাইছোঁ। আপোনাৰ যিকোনো ইচ্ছা পূৰ্ণ কৰাৰ ক্ষমতা মোৰ আছে।"

তেতিয়া শান্তনুৱে মৎস্যগন্ধাৰ কথা খুলি-মেলিয়েই পুত্ৰ দেৱব্ৰতক ক'লে।

শান্তনুৱে দেৱব্ৰতক ক'লে, "পুত্ৰ দেৱব্ৰত, আত্মস্বাৰ্থৰ কাৰণে তোমাৰ স্বাৰ্থক মই কিমতে নেওচোঁ? তোমাক সিংহাসনৰপৰা নমাই কিমতে মৎস্যগন্ধাৰ পুত্ৰক বহুৱাম? এনেহেন অন্যায় কাৰ্য্য মই কদাপি কৰিব নোৱাৰিম।"

দেৱব্ৰতই দাশৰজাৰ ওচৰলৈ গ'ল আৰু ক'লে, "আপুনি আপোনাৰ পুত্ৰীক মোৰ পিতাৰ হস্তত সমৰ্পণ কৰক, তেওঁ আমাৰ পিতাৰ ধৰ্মপত্নী হওক।"

"কিন্তু—তুমি যুৱৰাজৰূপে অভিষিক্ত। তেনেস্থলত — আমাৰ সত্যৱতীৰ পুত্ৰ উপজিলে কেনেকৈনো সেই পুত্ৰই ৰাজত্বলাভ কৰিব?"

দেৱব্ৰতই দাশৰজাক ক'লে, "মোৰ প্ৰতিজ্ঞাৰ কথা মনপুতি শুনক। পিতা-দেৱৰ ৰাজ্য মোক নালাগে। সত্যৱতীৰ পুত্ৰয়েই ৰজা হ'ব। সেই পুত্ৰক অন্যান্যৰ দৰে ময়ো ৰজা বুলিয়েই মান্য কৰিম— সকলো দেৱতাৰ নামত মোৰ এই শপত।

কাঢ়িছোঁ।”

দাশৰাজে ক’লে, “তুমি অসাধাৰণ যুৱা। তুমি যে তোমাৰ প্ৰতিজ্ঞা পালিবা, মোৰ সন্দেহ নাই। কিন্তু—তোমাৰ সন্তান তোমাৰ প্ৰতিজ্ঞা পালনত বাধ্য নহয়।”

দেৱব্ৰতই ক’লে, “হে দাশৰাজ! মোক ৰাজ সিংহাসন নালাগে বুলি মই প্ৰতিজ্ঞা কৰিলোঁ। কিন্তু—আপুনি মোৰ পুত্ৰৰ কথা ভাবি ভীত হৈছে। ঠিক আছে, মই এই প্ৰতিজ্ঞাও কৰিছোঁ—মই জীৱনকালত বিবাহ নকৰোঁ, আজীৱন ব্ৰহ্মচাৰী হৈ থাকিম।”

এই ভীষণ প্ৰতিজ্ঞাহেতুকে দেৱব্ৰত আগলৈ ‘ভীষ্মৰূপে জনাজাত হৈছিল।

শান্তনুৰ সৈতে সত্যৱতীৰ বিবাহৰ ফলস্বৰূপে দুটি পুত্ৰ উপজিল। পুত্ৰ দুটিৰ নাম যথাক্ৰমে—চিত্ৰাংগ আৰু বিচিত্ৰবীৰ্য্য, পুত্ৰ দুটিৰ সৰুকালতে ৰজা শান্তনু স্বৰ্গী হ’ল। ভীষ্মই সত্যৱতীৰ জ্যেষ্ঠপুত্ৰ চিত্ৰাংগক সিংহাসনত অধিষ্ঠিত কৰিলে।

এবাৰ চিত্ৰাংগ নামৰ এক গন্ধৰ্বই চিত্ৰাংগক যুদ্ধলৈ আহবান জনালে। সৰস্বতী নদীতটত দুয়োৰো মাজত যুদ্ধ হ’ল। শেহান্তৰত—গন্ধৰ্ব চিত্ৰাংগই মায়াবলেৰে কৌৰৱ চিত্ৰাংগক বধিলে।

চিত্ৰাংগৰ মৃত্যুত ভীষ্ম অত্যন্ত ব্যথিত হ’ল। এইবাৰ বিচিত্ৰবীৰ্য্যক ৰজা পতা হ’ল। কিন্তু বিচিত্ৰবীৰ্য্য তেতিয়াও বালকমাত্ৰ আছিল, সেইহে সত্যৱতীয়ে পুত্ৰ বিচিত্ৰবীৰ্য্যক পৰিচালনা কৰিবলৈ ভীষ্মক অনুৰোধ কৰাত ভীষ্ম সম্মত হ’ল।

কালক্ৰমে বিচিত্ৰবীৰ্য্য বিবাহযোগ্য হ’ল, তেতিয়া কাশীৰ ৰজাই তেওঁৰ তিনিজনী কন্যা—অম্বা, অম্বিকা আৰু অম্বালিকাৰ বাবে স্বয়ম্বৰ ঘোষণা কৰিছিল। হেন বাৰ্তা জানি, সত্যৱতীৰ অনুমতি লৈ, ভীষ্ম ৰথযোগে কাশীলৈ বুলি যাত্ৰা কৰিলে।

স্বয়ম্বৰত অসংখ্য ৰাজকোঁৱৰৰ সমৱেত

হৈছিল। কাশীৰাজে তেওঁৰ কন্যাজনীৰ বিষয়ে সকলোটিৰ আগত বিবৰিলে। তেতিয়া ভীষ্মই ক'লে, "মই এই তিনিও-জনীক মোৰ ভাতৃৰ বাবে লৈ যাম।" ভীষ্মই তিনিওজনীক ৰথত উঠাই ল'লে।

তাৰ পাছত — তাত উপস্থিত ৰাজকোঁৱৰ সকললৈ চাই ভীষ্মই ক'লে, "এই কন্যা তিনিজনীক লৈ যোৱাৰ সাহস যদিহে তোমালোকৰ কাৰোবাৰ আছে— মোৰ বিৰুদ্ধে যুঁজি লৈ যাব পাৰা।"

আৰু লগে লগে সকলো ৰাজকোঁৱৰ ভীষ্মৰ ওপৰত জঁপিয়াই পৰিল। ভীষ্মই অনিচ্ছাসত্বেও কেইজনমান ৰাজকোঁৱৰক বধিবলৈ বাধ্য হ'ল আৰু বাকীবোৰ কৰ্ফাল খাই খাই পলাই গ'ল, তাৰ মাজত কিছুমান বেয়াকৈ ঘাইল হ'ল।

সকলো ৰাজকোঁৱৰ যেতিয়া পলাল, তেতিয়া সাল্ব আহিল ভীষ্মৰ বিৰুদ্ধে এহাত যুঁজ দিবলৈ। কিন্তু সাল্বও অধিক পৰলৈ নিটিকিল।

হস্তিনাপুৰ পাই, সত্যৱতীৰপৰা অনুমতি লৈ ভীষ্মই বিচিত্ৰবীৰ্য্যৰ সৈতে তিনিজনীক বিবাহ দিয়াৰ বন্দবস্ত কৰিলে।

ডাঙৰজনী অম্বাই ভীষ্মক ক'লে, "স্বয়ম্বৰ পতাৰ বহু আগৰেপৰাই মই সাল্বৰ সৈতে প্ৰেমাৱদ্ধা হৈ আছিলোঁ, তেৰোঁ মোক ভাল পাইছিল। স্বয়ম্বৰ ঠিকমতে হোৱাহেঁতেন—মই তেওঁকে পতিৰূপে বৰণ কৰিলোহেঁতেন। মোৰ অসহায়তাৰ সুযোগত ইয়ালৈ লৈ আহিছে। মোক সাল্বৰ ওচৰলৈ লৈ যাওক, সেয়ে হ'ব ধৰ্ম-পথ।"

মন্ত্ৰীবৰ্গ, পুৰোহিতবৰ্গ আৰু বন্ধুবৰ্গৰ সৈতে পৰামৰ্শৰ অন্তত ভীষ্মই অম্বাক সাল্বৰ ওচৰলৈ প্ৰেৰণ কৰিলে আৰু অম্বিকা আৰু অম্বালিকাৰ বিবাহ ভায়েক বিচিত্ৰ-বীৰ্য্যৰ সৈতে পাতিলে।

বিবাহৰ পাছত বিচিত্ৰবীৰ্য্য তেওঁৰ পত্নীদ্বয়ৰ আঠুৰাৰ মহহেন হৈ পৰিল।

তেওঁ ৰাজকাৰ্য্য প্ৰায় পৰিত্যাগেই কৰা হ'ল। লাহে লাহে বিচিত্ৰবীৰ্য্য খেহৰুগীয়া হৈ পৰিল, আৰু সেই ভয়ংকৰ ৰোগৰ ৰোগৰ কৱলত পৰি—সেই ৰোগতে ভুগি ভুগি তেওঁৰ মৃত্যু হ'ল।

ভীষ্মই তেওঁৰ ভায়েকৰ প্ৰেতকৰ্মাদিও কৰিলে আৰু সেই পুত্ৰশোকগ্ৰস্তা বেদনা-গধুৰ নাৰী সত্যৱতীক যথোচিত সান্ত্বনা প্ৰদান কৰিলে।

*

তাৰ পাছত, কিছুদিনৰ অন্তত সত্যৱতীয়ে ভীষ্মক ক'লে, "হে পুত্ৰ, তোমাৰ পিতৃবংশ ৰক্ষাৰ বাবে এতিয়া একমাত্ৰ তুমিহে আছা। দেশাচাৰ মানি লৈ, তুমিয়েই অম্বিকা আৰু অম্বালিকাৰ পিতৃ হোৱাঁ। যদি এই প্ৰস্তাৱ তোমাৰ মনোমত নহয়, আন কোনোৱাজনীক বিবাহ কৰাঁ আৰু যেনেকৈয়েই নহওক—তোমাৰ বংশৰক্ষা কৰাঁ।"

কিন্তু ভীষ্মই এই প্ৰস্তাৱত তেওঁৰ সন্মতি নিদিলে।

ভীষ্মই ক'লে, "মই মোৰ প্ৰতিজ্ঞাৰপৰা বিচ্যুত নহওঁ। অন্যকি—ইন্দ্ৰৰ সিংহাসন-লৈকো মোৰ মনত মোহ নাই। মোৰ নিৰ্ণয়ত মই অটল। আপুনি যাক দেশাচাৰ বুলি কৈছে, সেই দেশাচাৰ অন্যায়-অধৰ্ম। কিন্তু অন্য এটি উপায় আছে, এটি পথ আছে। সেই পথো জ্যেষ্ঠসকলৰ, পণ্ডিত-সকলৰ, মন্ত্ৰীসকলৰ অনুমতি-সাপেক্ষ পথ। সেই পথ হ'ল যে—উত্তম ব্ৰাহ্মণৰদ্বাৰা আপোনাৰ বহাৰীদ্বয়েই মাতৃ হ'ব পাৰে। সুপ্ৰাচীনকালত, যেতিয়া প ৰ শু ৰা মে জগতক ক্ষত্ৰিয়হীন কৰিছিল, তাতেই সেই ক্ষত্ৰিয়সকলৰ পত্নীসকলে উত্তম ব্ৰাহ্মণৰদ্বাৰা প্ৰাপ্ত সন্তানেৰে যথোচিত ভাবে তথা সমাজসন্মতভাবে ক্ষত্ৰিয় বংশ ৰক্ষা কৰিছিল। আমিও সেই পথ অৱলম্বন কৰিব পাৰোঁ।" [আগলৈ



পৰিষ্কাৰ পুৰস্কাৰ

প্ৰাচীন মগধৰ প্ৰজাৰঞ্জক ৰজা মণিভূষণে মহাভাৰত-কথা শুনি বৰ ভাল পাইছিল আৰু পাঠ কৰোঁতাক যথোচিত পুৰস্কাৰেৰে পুৰস্কৃত কৰিছিল।

এদিন তেওঁ তেওঁৰ বুঢ়া ঘোঁৰাটোৰ পিঠিত উঠি উদ্যানত ভ্ৰমি থাকোঁতে বিদূষকে পাণ্ডৱৰ স্বৰ্গাৰোহণ-পৰ্ব তেওঁক পাঠ কৰি শুনোৱাত—তেওঁ তেওঁৰ অভ্যাস মতে বিদূষকক ঘোঁৰাটোকে পুৰস্কাৰ হিচাপে দিলে।

পাছদিনা বিদূষক পুনৰ উদ্যানলৈ আহিল। মণিভূষণে বিদূষকক সুধিলে, "কি কথা—খোজ কাঢ়ি আহিলা যে— ? ঘোঁৰাটো ক'ত ?"

"মহাৰাজ, কি কওঁ যে—! পাণ্ডৱৰ স্বৰ্গাৰোহণ-পৰ্ব বোধকৰোঁ ঘোঁৰাটোয়ো ভাল পাইছিল আৰু সেইহে—পাণ্ডৱসকলক সেৱিবলৈ ঘোঁৰাটো স্বৰ্গলৈ গ'লগৈ।"

বিদূষকৰ কথাত মণিভূষণৰ জ্ঞানোদয় হ'ল। তেওঁ বুজিলে যে বুঢ়া ঘোঁৰাটো মৰিল। মণিভূষণে ভাল চাই তেজবজীয়া ঘোঁৰা এটা বিদূষকক দিলে।



সৰ্বেজনাঃ সুখিনো ভৱন্তু

নিৰঞ্জন ৰাজ্যৰ প্ৰখ্যাত পণ্ডিত ৰাজনৰ মাজত এই গৰ্ব ওফন্দি উঠিছিল যে—প্ৰাচীন কবি সকলৰ কবিতাৰ সাৰাৰ্থ—গূঢ়াৰ্থ তেওঁ যেনেকৈ অনুধাৱন কৰিব পাৰিছে, তেনেকৈ আন কাকো বিচাৰি নাপায় 'জীৱনটো কৰিলেও পাত'। এই বিষয়ে—অন্যান্য পণ্ডিতক সৰু কৰাৰ এক অন্যায় নিচা ৰাজনপণ্ডিতৰ মাজত পৰিলক্ষিত হৈছিল।

প্ৰখ্যাত প্ৰখ্যাত পণ্ডিতলোকেও ৰাজন পণ্ডিতৰ এই ক্ষমতাৰ তথা পাণ্ডিত্যৰ প্ৰশংসাত পঞ্চমুখ। ৰাজন পণ্ডিতেও ইনগৰ-সিনগৰ ঘূৰি ঘূৰি বৰ বৰ পণ্ডিতক তৰ্কযুদ্ধত হৰুৱাই নিজৰ পাণ্ডিত্যক অধিকৰো অধিককৈ উজ্জ্বলাই তুলিছিল।

এইদৰে—গৈ গৈ—এদিন ৰাজন-পণ্ডিতে সৌশীল্যনগৰ পালেগৈ। সৌশীল্য আছিল মলয়াৱতী ৰাজ্যৰ ৰাজধানী। মলয়াৱতীৰাজ্যৰ ৰজা আছিল সৰ্বোত্তম।

ৰজা সৰ্বোত্তমে কবি-পণ্ডিতবৰ্গক যথেষ্ট আদৰিছিল সৰ্বোত্তম মহাৰাজে পণ্ডিতৰ অভিপ্ৰায় বুজি পাইছিল। ৰাজনপণ্ডিতে যে তেওঁৰ সভাপণ্ডিতসকলক তৰ্কত পৰাজিত কৰি নিজৰ পাণ্ডিত্যক জিলিকাব খুজিছে, সেই কথাত কোনো সন্দেহ নাই।

ৰাজনপণ্ডিতৰ ভাষণ শুনি, প্ৰাচীন কাব্যৰ ব্যাখ্যা শুনি সভাপণ্ডিতসকলৰ ধাৰণা হ'ল যে—তেওঁলোকে ইমান দিন ধৰি এইবোৰ বিষয়ত যি দৃষ্টিভংগীৰে আলোচনা কৰিছিল, সেই আলোচনা বৃথা।

ৰাজসভাৰ পণ্ডিতসকল চুপ হৈ থকাত ৰাজনপণ্ডিতৰ গৰ্বৰ সীমা নাথাকিল।

কাশীৰাম দাস

তেওঁলোকে যে প্ৰকাৰান্তৰে পৰাজয় মানি লৈছে—ধুকুপেই। ৰজা সৰ্বোত্তমো অপমান পাই নিৰৱ হৈ থাকিল।

ৰাজপণ্ডিতে তেতিয়া বিশেষ এটি শ্লোকৰ এশাৰী কথাৰ নতুন ব্যাখ্যা দাঙি ধৰিছিল। তেওঁ কৈ আছিল—সেই যে সুপ্ৰাচীন কালত কোৱা হৈছে—সৰ্বেজনাঃ সুখিনো ভৱন্তু—কথাষাৰত কিন্তু যথেষ্ট ভুল আছে। সৰ্বজনৰ মাজত—চোৰ ঠগ লুটিয়াৰ খুনী — এইবোৰো নাইনে? গতিকে — কথাষাৰ হ'ব লাগিছিল—সাধুজনাঃ সুখিনো ভৱন্তু —আৰু—।

ৰাজনপণ্ডিতৰ ভাষণ নৌশেষ হওঁতেই ৰাজসভা হাতৰ চাপৰিৰে মুখৰিত হ'ল। কিন্তু হঠাৎ কোনোবাই চিঞৰি কৈ উঠিল, "নহয়, এই ব্যাখ্যা ভুল।"

সকলোটিয়েই ঘূৰি চালে আৰু এইবাৰ কথা কৈ থিয় হৈ থকা বিদূষক ধৰহাসক দেখা পালে।

ধৰহাসৰ কথাত ৰাজসভা স্তব্ধ হৈ পৰিল। ৰাজনপণ্ডিতে গম্ভীৰ ভাৱে ধৰহাসক সুধিলে, "কোৱাঁ—কি ভুল আছে—কোৱাঁ।"

"অহংকাৰৰ নিচাৰে জ্ঞানশূন্যৰ দৰে যি মন গৈছে তাকে বলকিছে যে—বুজাই কওঁ।—সৰ্বেজনাঃ সুখিনো ভৱন্তু —ৰাক্যশাৰীৰ মাজত থকা যে 'সুখ', সেই 'সুখ'নো কি? সুখ—বাস্তৱিকতে—



কি? ধনত শিতান দি থাকিলে, সুউচ্চ অট্টালিকাত থাকিলেই মানুহে সুখ পায়নে?—নাপায়। সুখৰ অৰ্থ হ'ল— মানসিক প্ৰশান্তি! চোৰ লুটিয়াৰ বা খুনী আদি—ৰাক্ষস প্ৰবৃত্তিৰ মানুহ। সিহঁতে যি বিচাৰে—সকলো পালেও সিহঁত ধৰা পৰাৰ ভয়ত কঁপিয়েই থাকিব, সুখৰ অনুভূতি কেতিয়াও নহ'ব। সিহঁতৰ মানসিকভীতি — বৰ্ণনাতীত। কিন্তু— ইহঁতো সুখ-শান্তিৰে জীৱন অতিবাহিত কৰক—এই কামনা—কিমান যে সুন্দৰ কামনা! সৰ্বেজনাঃ সুখিনো ভৱন্তু-য়ে এই কামনায়েই কৰিছে,কৈছে যে—দুষ্ট-প্ৰবৃত্তি পৰিত্যাগ কৰি শিষ্ট প্ৰবৃত্তিক সাবোগত কৰি মানৱমাত্ৰেই সুখানুভৱ কৰক।"

সভাত পুনৰ প্ৰবল ধ্বনিৰে হাতৰ চাপৰি ধ্বনিত হৈ থাকিল আৰু ৰাজন-পণ্ডিত চেঁচেৰা পৰিল।

এইবাৰ বিদূষক ধৰহাসে শান্তকণ্ঠেৰে ৰাজনপণ্ডিতক ক'লে, "এই কথাত কোনো সন্দেহ নাই যে—আপুনিও এজন বুদ্ধিজীৱি, আপুনি শাস্ত্ৰ অধ্যয়ন কৰিলে, মহাকবিসকলৰ কাব্যক চালি-জাৰি চালে; কিন্তু গণ্ডগোল কৰিলে সেইবোৰৰ গূঢ়াৰ্থ বুজাত। বাহিৰৰ ৰং চং চায়েই ভ্ৰান্তি-মূলক বুলিয়েই প্ৰচাৰ কৰিলে। এই প্ৰচাৰ—দৰাচলতে অপপ্ৰচাৰ। এনেবোৰ অপপ্ৰচাৰৰ ফলত লোকৰ সুখ-শান্তি যিকণবা আছে, সেইকণো নোহোৱা হয়, ভাবে—সুখ বোলা জগতত একো নাই। গতিকে—যেই-সেই ব্যাখ্যা কৰি পাণ্ডিত্য প্ৰদৰ্শন কেৱল অৰ্থহীন নহয়, অনিষ্টকৰ।"

ৰাজনপণ্ডিতৰ মুখৰ মাত হৰিল। তেওঁ একো নোকোৱাকৈ ৰাজসভাৰপৰা গুলাই গ'ল। ৰাজসভাৰ সকলোটিয়ে বিদূষক ধৰহাসৰ অসাধাৰণ বুদ্ধিৰ শলাগ লৈ তাক মনে-চিতে অভিনন্দিত কৰিলে আৰু সৰ্বজনেই সুখ লভিলে।



সমবাদৰ চমক

ৰাজকীয় অনুতাপ

কুৰেতত চাৰ্কাছ চলি আছিল যোৱা মে' মাহত। নানান খেলা নানান ভংগীমাৰে প্ৰদৰ্শনৰ পাছত লৈ আহা হ'ল 'ছেজ্জাৰ' নামৰ বিৰাট সিংহ এটাক। ট্ৰেইনাৰ আছিল এল্না টিপা। এল্না সিংহটোৰ গৰালৰ ভিতৰতে আছিল। সিংহটোৰ অন্যতম খেলা হ'ল—এটি 'উল্লম্ফন'-অৰ্থাৎ 'জঁাপ'। মাৰিলে জঁাপ, কিন্তু পৰিল লুটি খাই—তলত। দৰ্শকে তাত চাপৰি নবজালে। সিংহটোৱে লাজ পালেনে কি তাৰ অকৃতকাৰ্য্যতাৰ বাবে। আচম্বিতে সিংহটোৱে তাৰ ট্ৰেইনাৰ এল্নাক ডিঙিত কামুৰি ধৰি মাৰিয়েই পেলালে। এলনা যেতিয়া মৰিল, সিংহটোৱে লাহেকৈ মৃতা এলনাৰ কাষত বহিলগৈ। তাক বহু চেষ্টাতো এলনাৰ কাষৰপৰা আঁতৰাব পৰা নগ'ল। পাছত—সিংহটোৱে শান্তভাবেই অন্য এটা গৰালত সোমালগৈ ছ.ৰ্কাছ মাষ্টাৰৰ নিৰ্দেশত, কিন্তু সি খোৱা-বোৱা এৰি দিলে। আনকি পানী এটোপাও নাখালে। আৰু—পোন্ধৰ দিনৰ দিনা অনাহাৰৰ ফলত তাৰ মৃত্যু হ'ল।

ঘৰিয়ালৰ প্ৰতিশোধ

অষ্ট্ৰেলিয়াত 'কাকাডু ন্যাশ্যনাল পাৰ্ক'ত ট্যুৰিষ্ট-ইতক ঘৰিয়ালৰ মাংস খুউৱা হয়— অতি জুতি লগাকৈ ৰান্ধি-বাঢ়ি দিয়া হয়। পাৰ্কৰ ৰেস্তুঁৰৰ অন্যতম পৰিবেশনকাৰী ২১ বছৰীয়া মিনহানৰ মতে: "ঘৰিয়ালৰ মঙহ এবাৰ খালে বাৰে বাৰে খাবৰ মন যায়।" কিন্তু এদিন পাৰ্কৰ কাষেদি 'কুলু কুলু সুৰে' বৈ যোৱা নৈ এখনত সাঁতুৰি থাকোঁতে ঘৰিয়াল এটাই তাৰ ভৰিত কামুৰি ধৰি বিৰাট শিল এটাৰ ওপৰত মিনহানক আছাৰি পেলাই পলাই গ'ল। এয়া—ঘৰিয়ালৰ প্ৰতিশোধ নহয় যদি – কি নো?

ভীতিয়েই ভূত

গাঁৱৰ নাম ছনপুৰ। ছনপুৰ নামটো—বিশেষকৈ গাঁওখনৰ ছনপৰা মাটিৰপৰাই হৈছে। গাঁৱৰ তিনিওফালেই পানী-মেটেকা ইকৰা আদিৰে ভৰা জলাহ। উত্তৰ দিশত থকা মাটি অৱশ্যে ভাল, সাৰুৱা আৰু আগতে ছনপুৰীয়াই এই মাটিত খেতি-বাতিও কৰা হৈছিল; কিন্তু কিছু বছৰৰপৰা তাৰো মুদা মাৰিল। কিয়নো—তাত হেনো ভূত-প্ৰেতৰ অত্যাচাৰ।

সুবুদ্ধি আছিল এইখন ছনপুৰ গাঁৱৰে এজন বুদ্ধিমান যুৱক। সৰুতে সুবুদ্ধিক বিদ্যা-শিক্ষাৰ বাবে কাশীত গুৰুগৃহত থৈ অহা হৈছিল। অধ্যয়ন সমাপ্ত হোৱাৰ অন্তত সুবুদ্ধি যেতিয়া পুনৰ নিজৰ গাঁওঁ ছনপুৰলৈ উলটিল গাঁৱৰ বিষম পৰিস্থিতিলৈ চাই চিন্তিত হৈ উঠিল।

এদিন সুবুদ্ধিয়ে গাঁৱৰ নামঘৰত গোট খোৱা গাঁওবাসীইঁতক সুধিলে, "আমাৰ গাঁৱৰ তিনিভাগ মাটি যে ছনপৰা, ময়ো জানো, কিন্তু যিভাগ মাটিত ভালকৈ খেতি-বাতি কৰিব পাৰি, সেই ভাগকো ছনপৰা কৰি তুলিছে কিয়?"

"বোপাহে, প্ৰতিনিশা তাত চলে ভূতৰ নাচ—প্ৰেতৰ চিঞৰ, অট্টহাঁহিৰ বিকট শব্দ উঠে। ভূত-প্ৰেতবিলাক থাকে সৌ বৰজোপাত। গতিকে—আমাৰ বোপা—উপায় একোৱেই নাই।"

আজিৰ দিনতো গাঁৱৰ ৰাইজৰ ইমান নিৰ্বুদ্ধিতাৰ কথাত সুবুদ্ধিয়ে অৱাক মানিলে। কিছুমানে স্বচক্ষে কিছুমানে স্বকৰ্ণেও ভূত দেখাদেখিকৈ দেখা বুলি ক'লে, ভূতৰ বিকট হাঁহি—আনৰ কাণেৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আৰু কোনো কোনোৱে নিজৰ কাণেৰেও শুনা বুলি ক'লে। মুঠতে দেখক-নেদেখক —ভূতৰ হাঁহি নুশুনা মানুহ-মুনিহ গাঁৱত নায়েই।

এদিন সুবুদ্ধিয়ে ভাবি ভাবি বুদ্ধি এটা উলিয়ালে। সি ৰাতিৰ পৰতে নিজান-নিজম গাঁৱৰ আলিয়েদি সেই ভূতৰ নিবাসভূমি উত্তৰৰ বৰজোপাৰ পিনে ধীৰে-সুস্থিৰে গৈ থাকিল। ব ৰ জো পা ৰ মাজভাগৰ ঠাল এখনৰপৰা বগাকৈ কিবা যেন ঝুলি আছিল। হঠাৎ জুই জ্বলি উঠিল আৰু নিমিষতে নুমাই গ'ল। আৰু লগে লগে আৰম্ভ হ'ল ভূত-প্ৰেতৰ বিকট অট্ৰহাঁহি। এই কথা-কাণ্ডৰ আঁৰত যে কিবা এটা লণ্ডভণ্ড প্ৰতাৰণাৰ কাণ্ড আছে সেই কথাত সম্পূৰ্ণ নিঃচিন্ত হৈ সুবুদ্ধি ঘৰলৈ উভতি আহিল। তাত যে ভূত-প্ৰেত বোলা একো নাই—সেই কথাত সুবুদ্ধি নিঃসংশয় হ'ল। নিশ্চয় কোনোবা গূঢ় কাৰণত কোনোবাই বা কোনোবা কোনোবা দল এটাই গাঁৱৰ হোজা ৰাইজক ভয় খুৱাইছে আৰু সেই ঠাইৰপৰা আঁতৰাই ৰাখিছে।

পাছদিনা, এই ভূতীয়া কাণ্ডৰ ভু-ভা ল'বলৈ সুবুদ্ধিয়ে উপায় এটা চিন্তিলে আৰু গধূলি হোৱাৰ আগে আগে ক'ৰবালৈ বুলি খোজ ল'লে। গাঁৱৰ মথিয়ন কেইজনমানে এনে সময়ত ওলাবলৈ হাক



দিলে তাক. কিন্তু সুবুদ্ধিয়ে বৰ জৰুৰী কাম আছে বুলি ক'লে আৰু খোজ বঢ়ালে।

সুবুদ্ধিয়ে এটা সৰু টোপোলা লৈ গৈছিল। সি এন্ধাৰৰ গাত ভেজা দি সেই বৰগছজোপাৰ কাষ পায়েই টোপোলাটো খুলি কিচকিচকৈ ক'লা চোলা আৰু পায়জামা পিন্ধি বৰগছজোপাৰ ওখ ঠাল এটাত উঠি ভূতৰ বাট চাই বহি থাকিল।

কিছু সময়ৰ অন্তত বৰগছজোপাৰ তলত কিছুমান মানুহ আহিল। সিহঁতৰ দলটোত চাৰি-পাঁচজনমান আ ছি ল। আহিয়েই সিহঁতে তাত আথা জ্বলাই ৰান্ধিবলৈ ধৰিলে আৰু তাৰ পাছত মদ-ভাত খাই লৈ নানান ধৰণৰ চিঞৰ-বাখৰ —শিয়ালৰ হোৱা আদিৰ উপৰিও হি হি হাঃ হাঃ কৈ হাঁহি হাঁহি নাচি থাকিল।

সিহঁতে যেতিয়া ভূতৰ খেল খেলি আছিল, তেতিয়া আন এদল মানুহ তালৈ আহিল। সিহঁতে কেইটামান ডাঙৰ ডাঙৰ গাঁঠৰিও কঢ়িয়াই লৈ আহিছিল। এইবাৰ সিহঁতে বৰজোপাৰ কাষত থকা এঠাইৰ-পৰা বিৰাট শিল এচটা আঁতৰাই ল'লে আৰু সেই গাঁঠৰিবোৰ সেই গাঁতত ভৰাই থৈ বিৰাট গাঁতটোৰ দুৱাৰমুখ পুনৰ শিলচটাৰে বন্ধ কৰি দিলে।

তাৰ পাছত আকৌ আৰম্ভ হ'ল ভূতৰ নাচ, চিঞৰ-বাখৰ, হি হি হাহাৰ হৈ হাল্লা। আৰু তাৰ পাছত সিহঁত হঠাৎ দলে-বলে তাৰপৰা গুচি গ'ল।

সকলো ভূতীয়া কথা-কাণ্ড স্বচক্ষে চাই সুবুদ্ধি ঘৰলৈ উভতিল। পাছদিনা পুৱা সি গাঁৱৰ ৰাইজক এঠাইত গোটাই ল'লে আৰু ক'লে, তাৰ ভূত-দেখাৰ কথা।

গাঁৱৰ ৰাইজ শুনি অবাক। এজনে সুধিলে, "ভূতে—তোমাক নামাৰি এৰি দিলেনে?"

'দেখিছেই মোক। সিহঁতো আমাৰ নিচিনা ভূতহে। আৰু লাগিলে — আমিয়েই সিহঁতক — মানে আমাৰ

সমাজখনৰ জীয়া ভূতইঁতক মাৰি পেলাব পাৰোঁ। মোৰ লগত আপোনালোক আজি ৰাতি তালৈ যাবনে ? ব'লক যাওঁ। কোনো ভয় নাই। আপোনালোকে নিজৰ চকুৰেই ভূত-প্ৰেতবিলাকক চাই আহিব ; সিহঁতক ধৰি-বান্ধি সিহঁতৰ পিঠত বাবৰি ফুলো ৰাছিব পাৰিব।"

সুবুদ্ধিৰ কথাত গাঁৱৰ কিছুমান ভূতৰ থানলৈ গ'ল আৰু সুবুদ্ধিয়ে তাত থকা অখা, মাটিৰ চৰু আৰু অন্যান্য বান্ধন-বাঢ়নৰ সঁজুলিলৈ আঙুলিয়াই গাঁৱৰ ৰাইজক ক'লে, "চাওক, চাই চাই ভাবক—ভূতেও ৰন্ধা-বঢ়া কৰি খায়নে ? সিহঁতক ইমানদিন ধৰি আপোনালোকে ভূত বুলি ভাবিছিল, সিহঁতৰ এটাও ভূত নাছিল, আছিল— দগধা চোৰহে! এই চোৰৰ দলটোত পোন্ধৰটামান চোৰ আছে। আপোনা-লোকক ইয়াৰপৰা আঁতৰাই ৰাখিবলৈ সিহঁতে ৰাতিৰ পৰতে চুৰি কৰি চুৰিৰ মাল ইয়াতে পুতি থৈছিল আৰু বৰৰ ডালত বগা কাপোৰ ওলোমাই বগাভূতৰ ভয় খুৱাইছিল। এয়া চাওক—এই বিৰাট শিলচটা দাঙি চাওকেইচোন — গাঁতৰ ভিতৰত কি ?"

ভালেকেইজনমানে বহু কষ্টেৰে শিলচটা দাঙিলে আৰু গাঁতৰ ভিতৰত থকা সৰু-বৰ গাঁঠৰিবোৰ গাঁতৰপৰা উলিয়াই আনিলে।

তাৰ পাছত, সেই গাঁঠৰিবোৰ কঢ়িয়াই লৈ ৰাইজ পুনৰ গাঁৱলৈ উভতি আহিল। গাঁঠৰিবোৰ এটা এটাকৈ তেওঁলোকে খুলি চালে। ধন-সোণ আৰু নানান মূল্যৱান দ্ৰব্য-সামগ্ৰী গাঁঠৰিবপৰা উলিয়াই অনা হ'ল। এইবোৰ যে চুৰিৰ মাল—সেই কথাত কাৰো সন্দেহ নাথাকিল। সুবুদ্ধিৰ বুদ্ধিৰ ওপৰত ৰাইজৰ আস্থা বাঢ়িল।

"যোৱা বাৰ বছৰৰপৰা এই চোৰৰ দলটোৱে সেই ঠাইডোখৰ নিজৰ চুৰিৰ কামত লগাবলৈ গাঁৱৰ ৰাইজক ভূতৰ ভাকি-ভুকাৰে—ভৰকনিৰে ভাঁৰি আঁতৰ কৰি ৰাখিলে। ইহঁতক যেনেকৈয়েই নহওক ধৰি ৰজাৰ হাতত দিব লাগিব আৰু তাৰ পাছত ছনপুৰক 'বন'পুৰ কৰি তুলিব লাগিব। ৰাইজৰ, মনত ৰাখিব, ভয় কোনো গুণ নহয়, ভয়ক জয় কৰাটোহে গুণ।"

সেই ৰাতি, সুবুদ্ধিৰ নেতৃত্বত, গাঁৱৰ ৰাইজ ভূত ধৰিবলৈ ওলাল আৰু সিবিলাক ভূত যেতিয়া সদায় অহাৰ দৰে বৰজোপাৰ ওচৰলৈ আহিল, তেতিয়া এন্ধাৰৰ গাত ভেজা দি অ'ত তত লুকাই থকা পঞ্চাছ-জনমান গাঁৱলীয়াই সিহঁতৰ লাঠি-যাঠিৰে সেই জীয়া ভূতবিলাকক আক্ৰমণ কৰি মাটিত বগৰাই পেলাই মাৰি ভৈয়াম কৰিলে আৰু সমাজৰ সেই জীয়া ভূতবিলাকক ৰছীৰে কটকটীয়াকৈ বান্ধি ৰজাৰ প্ৰহৰীহঁতৰ হাতত গটাই দিলে।

দেশত উৎপাত কৰি থকা ভূতৰূপী চোৰৰ দলটোক হাতে-লুটে ধৰা পেলোৱাত দেশৰ ৰজাই বৰ ভাল পালে আৰু গাঁৱৰ ৰাইজৰ নেতা সুবুদ্ধিক তাৰ সাহস তথা বুদ্ধি-চাতুৰ্য্যৰ বাবে যথোচিত ভাবে পুৰস্কৃত কৰাৰ উপৰিও ছনপুৰ গাঁৱৰ মাটিৰ সংস্কাৰ সাধি ছনপুৰত প্ৰকৃততেই কাম-কাজৰ নতুন জোৱাৰ আনি ছনপুৰক 'বন'পুৰ কৰি তোলাত অৰিহনা যোগালে।

বিচিত্র প্ৰকৃতিৰ বৈচিত্র্য



সাগৰ-হস্তী !

সাগৰৰ সৰ্বাতোকৈ ডাঙৰ জন্তু হ'ল—তিমি। জন্তু মানে—মাছ। তিমিমাছ। কিন্তু 'ছিল' বা 'ছীল' নামৰ হাঙৰহেন সাগৰীয় জন্তুটোকহে 'সাগৰ-হস্তী' অৰ্থাৎ—'সাগৰৰ হাতী' বুলি কোৱা হয়। ছীল (Seal) যদিও জলচৰ জন্তু, তথাপি, দেখাত মাছৰ কিঞ্চিত আভাস আছে। সাধাৰণ ছীলৰ সংখ্যায়েই অধিক, পিছে—

মটীয়া-বগা ছীল, বৃত্তাকাৰ ছীলো পৰিলক্ষিত হয়। 'সাগৰ-হস্তী' বিধৰ ছীল দীঘলে ৬ মিটাৰ (২০ ফুট) লৈকো হয়, আৰু ওজন—কমেও ৪ টন !

চম্বিত চৰাই !

চৰাইবোৰে কিয় গছৰ মূধত বাহ সাজে কথাটো কেতিয়াবা ভাবিছেনে ? কথাটো তেনেই সাধাৰণ—বিপদৰপৰা সিহঁতৰ পোৱালিবিলাকক ৰক্ষাৰ বাবে। সৰু চৰাইবোৰে উৰণ শিকোঁতে সময় লয়, আৰু সেইছোৱা সময়েই চিকাৰীবিলাকৰপৰা সিহঁতৰ বিপদো হয়। চিকাৰী মানে—ঘাইকৈ মেকুৰী। মেকুৰীবোৰে সহজেই গছ বগাব পাৰে একেবাৰে শব্দ নকৰাকৈ। কিন্তু গছৰ বৰ কোমল ঠাৰিত যাব নোৱাৰে সিহঁতৰ ওজনৰ কাৰণে। আৰু চৰাইবিলাকেও তেনেকৈয়েই বাহো সাজে। চৰাইবিলাকে সিহঁতৰ বাহবোৰ চিকাৰীবিলাকে মনিব নোৱৰাকৈ গছৰ পাত-ঠাৰি আদিৰে বহাবোৰ চকুৰ আঁৰ কৰিবলৈকো চেষ্টা কৰে !



বাৰেবৰণীয়া শিল !

অষ্ট্ৰেলিয়াৰ 'আইয়্যাৰ' বা 'আয়াৰ শিল' এক দৰ্শনীয় বস্তু। দিনৰ ভাগত এই বিশাল শিলচটাই বাৰে বাৰে বৰণ সলায়। বেলিয়ে অলপ ইফাল-সিফাল কৰিলেই শিলেও বেলেগ বৰণ লয়। প্ৰায় ১২০০ ফুট ওখ এই বিৰাট শিলচটা হ'ল বালীয়া শিল। তলৰ ফালে নিমজ হোৱাত বৰ ধুনীয় দেখি। শিলচটাৰ মেৰ ৫ মাইলমান হ'ব। বৰণ—সাধাৰণভাবে—ৰঙা। বেলি ওলোৱাৰ লগে লগে নীলা-ৰঙা বৰণ লয় আৰু বেলিয়ে লহিয়ালে বেঙুনীয়া বৰণত সাজে। মাজত—কেতিয়াবা হালধীয়া, কেতিয়াবা কমলা বৰণ ধৰে। এই শিলচটা প্ৰায় ১২০ বছৰৰ আগতে আৱিষ্কৃত হৈছিল আৰু তেতিয়াৰ কালৰ অষ্ট্ৰেলীয় প্ৰধানমন্ত্ৰী স্যাৰ হেনৰি আইয়্যাৰৰ নামেৰে শিলচটাৰ নামকৰণ কৰা হৈছিল।


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
SUPER RUBBER
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri

S.G. Seshagiri

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ নৱেম্বৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৪ চনৰ ছেপ্টেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : শিক্ষাই আনে জ্ঞান
দ্বিতীয় ফটো : কৰ্মই ৰাখে প্ৰাণ

ধীৰাজ বসুমাতাৰী, মঙলদৈ কলেজ বয়েজ হস্টেল, মঙলদৈ, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি চান্দামামা ৬০.০০ টকা মাত্ৰ
বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :
Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026,

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **117.00** ● উৰাজাহাজ-যোগে **264.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **123.00** ● উৰাজাহাজ-যোগে **264.00**

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

"হৈ গ'ল না সকলো উল্টা-পুল্টা"
নতুন মল্লযুদ্ধ চেম্পিয়ন চুপাৰ এম
বম্বে, ১৯৯৪: (আমাৰ বিশেষ সংবাদদাতাৰ দ্বাৰা): "অৱশেষত মোৰ চুপাৰ শক্তিৰ সোৱাদ সি লৈছে এবিলে" গৰ্জি উঠিল চুপাৰ এম। দুৰন্ত চৌধৰীক শেষ পষ্ঠিলৈকে তলত বাগৰাই ৰাখি তেওঁ যেতিয়া নতুন মল্লযুদ্ধ চেম্পিয়ন হ'ল তেতিয়া। বিজয় উল্লাসেৰে তেওঁ চুপাৰ মিল্ক বিস্কিটৰ পেকেট এটা উলিয়ালে আৰু মহা স্ফূৰ্তিৰে মুখত ভৰাবলৈ লাগিল। পুনৰ নিজা চুপাৰ অনুভৱেৰে কৈ উঠিল "ভাগ্য ভাল যে বেচেৰাই চুপাৰ মিল্কৰ চুপাৰ শক্তি আৰু চুপাৰ সোৱাদৰ কথা একেবাৰেই নাজানে। নহলে...।" বিজয়ৰ হাঁহিটো টিপি ৰাখি আকৌ কৈ উঠিল — "পিচৰ বাৰ পুৰা সাজু হৈ আহিবা, তাৰপিচতহে খেলিবলৈ আহিবা... চেলেঞ্জৰ সৈতে।"
চেলেঞ্জৰ সৈতে!
চুপাৰ মিল্ক বিস্কিট
চুপাৰ সোৱাদ
চুপাৰ শক্তি
PARLE
NEW
Super milk
BISCUITS
everest/94/PP/139-as